रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRAORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

**No. 24 ] NEW DELHI, TUESDAY, NOVEMBER 5, 2019 / 14 KARTIKA, 1941 (Saka) [ VOL : 20**
নং ২৪ ] নতুন দিল্লী, মঙ্গলবাৰ, নৱেম্বৰ ৫, ২০১৯ / ১৪ কাতি, ১৯৪১ (শক) [খণ্ড ঃ ২০

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

বিদেশী বৰঙণি (বিনিয়মন) অধিনিয়ম, ২০১০ (২০১০ ৰ ৪২)

# বিদেশী বৰঙণি (বিনিয়মন) অধিনিয়ম, ২০১০

## (২০১০ৰ সংখ্যা ৪২)

## ধাৰাসমূহৰ ক্ৰম

### অধ্যায়—১

### প্ৰাৰম্ভিক


| ধাৰাসমূহ— | | পৃষ্ঠা |
|---|---|---|
| ১। | সংক্ষিপ্ত নাম, বিস্তাৰ, প্ৰয়োগ আৰু প্ৰাৰম্ভণ। | ১ |
| ২। | পৰিভাষা | ১ |


### অধ্যায়—২

### বিদেশী বৰঙণি আৰু বিদেশী আতিথ্যৰ বিনিয়মন


| | | |
|---|---|---|
| ৩। | বিদেশী বৰঙণি গ্ৰহণ কৰিবলৈ প্ৰতিষেধ কৰা। | ৫ |
| ৪। | ধাৰা ৩ৰ প্ৰযোজ্য নোহোৱা ব্যক্তি। | ৭ |
| ৫। | এটা ৰাজনৈতিক চৰিত্ৰৰ এটা সংগঠন অধিসূচিত কৰাৰ প্ৰক্ৰিয়া। | ৭ |
| ৬। | বিদেশী আতিথ্যৰ গ্ৰহণৰ ওপৰত নিৰ্বন্ধন। | ৮ |
| ৭। | আন ব্যক্তিলৈ বিদেশী বৰঙণি অন্তৰণৰ প্ৰতিষেধ। | ৯ |
| ৮। | প্ৰশাসনিক প্ৰয়োজনৰ বাবে বিদেশী বৰঙণিৰ ব্যৱহাৰ কৰাত নিৰ্বন্ধন। | ৯ |
| ৯। | কেতবোৰ ক্ষেত্ৰত বিদেশী বৰঙণি, ইত্যাদিৰ গ্ৰহণ প্ৰতিষেধ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা। | ৯ |
| ১০। | এই অধিনিয়মৰ উলংঘনত প্ৰাপ্ত কৰা প্ৰচলিত মুদ্ৰাৰ আদায় প্ৰতিষেধ কৰাৰ ক্ষমতা। | ১০ |


### অধ্যায়—৩

### পঞ্জীয়ন


| | | |
|---|---|---|
| ১১। | কেন্দ্ৰীয় চৰকাৰৰ সৈতে কেতবোৰ ব্যক্তিৰ পঞ্জীয়ন। | ১১ |
| ১২। | পঞ্জীয়নৰ প্ৰমাণপত্ৰৰ মঞ্জুৰকৰণ। | ১১ |
| ১৩। | প্ৰমাণপত্ৰৰ স্থগন। | ১৪ |
| ১৪। | প্ৰমাণপত্ৰৰ ৰদ্‌কৰণ। | ১৪ |
| ১৫। | প্ৰমাণপত্ৰৰ ৰদ্ হোৱা ব্যক্তিৰ বিদেশী বৰঙণিৰ পৰিচালনা। | ১৪ |
| ১৬। | প্ৰমাণপত্ৰৰ নবীকৰণ। | ১৫ |

## অধ্যায়—৪

## হিচাপ, সূচনা, হিচাপ পৰীক্ষা আৰু পৰিসম্পত্তিৰ বিক্ৰয় ইত্যাদি।

পৃষ্ঠা


| | | |
|---|---|---|
| ১৭। | অনুসূচিত বেংকৰ জৰিয়তে বিদেশী বৰঙণিৰ প্ৰাপ্তি। | ১৫ |
| ১৮। | সূচনা। | ১৬ |
| ১৯। | হিচাপ সংৰক্ষণ। | ১৬ |
| ২০। | হিচাপসমূহৰ হিচাপ পৰীক্ষা। | ১৬ |
| ২১। | নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ দ্বাৰা দিয়া সূচনা। | ১৬ |
| ২২। | বিদেশী বৰঙণিৰ পৰা সৃষ্টি হোৱা পৰিসম্পত্তিৰ বিক্ৰয়। | ১৭ |


## অধ্যায়—৫

## পৰিদৰ্শন, অন্বেষণ, আৰু অভিগ্ৰহণ


| | | |
|---|---|---|
| ২৩। | হিচাপ বা নথিৰ পৰিদৰ্শন। | ১৭ |
| ২৪। | হিচাপ বা অভিলেখৰ অভিগ্ৰহণ। | ১৭ |
| ২৫। | অধিনিয়মৰ উলংঘনত প্ৰাপ্ত সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতিৰ অভিগ্ৰহণ। | ১৮ |
| ২৬। | অভিগৃহীত সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতিৰ বিক্ৰয়। | ১৮ |
| ২৭। | ১৯৭৪ৰ অধিনিয়মৰ সংখ্যা ২ৰ অনুসৰণত কৰিবলগীয়া অভিগ্ৰহণ। | ১৮ |


## অধ্যায়—৬

## ন্যায়নিৰ্ণয়


| | | |
|---|---|---|
| ২৮। | এই অধিনিয়মৰ উলংঘনত প্ৰাপ্ত সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতিৰ বাজেয়াপ্তকৰণ। | ১৯ |
| ২৯। | বাজেয়াপ্তকৰণৰ ন্যায়নিৰ্ণয়। | ১৯ |
| ৩০। | বাজেয়াপ্তকৰণৰ প্ৰক্ৰিয়া। | ১৯ |


## অধ্যায়—৭

## আপীল আৰু পুনৰীক্ষণ


| | | |
|---|---|---|
| ৩১। | আপীল। | ১৯ |
| ৩২। | কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আদেশসমূহৰ পুণৰীক্ষণ। | ২০ |

## অধ্যায়—৮

## অপৰাধ আৰু দণ্ড


| | | পৃষ্ঠা |
|---|---|---|
| ৩৩। | মিথ্যা বিবৃতি, ঘোষণা দিয়া বা মিথ্যা হিচাপ দিয়া। | ২১ |
| ৩৪। | ধাৰা ১৯ৰ উলংঘাত প্ৰাপ্ত সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতিৰ বাবে দণ্ড। | ২১ |
| ৩৫। | অধিনিয়মৰ কোনো উপবন্ধৰ উলংঘনৰ বাবে দণ্ড। | ২১ |
| ৩৬। | অতিৰিক্ত জৰিমনা আৰোপ কৰিবলৈ ক্ষমতা য'ত সামগ্ৰী বা দেশৰ প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতি বাজেয়াপ্তকৰণৰ বাবে সহজলভ্য নহয়। | ২১ |
| ৩৭। | অপৰাধৰ বাবে দণ্ড য'ত কোনো পৃথক শাস্তি উপবন্ধিত কৰা হোৱা নাই। | ২২ |
| ৩৮। | বিদেশী বৰঙণি গ্ৰহণৰ প্ৰতিষেধ। | ২২ |
| ৩৯। | কোম্পানীৰ দ্বাৰা কৰা অপৰাধ। | ২২ |
| ৪০। | এই অধিনিয়মৰ অধীনত অপৰাধসমূহৰ অভিযোজনৰ ওপৰত বাধা দিয়া। | ২৩ |
| ৪১। | কিছুমান অপৰাধৰ আপোচ। | ২৩ |


## অধ্যায়—৯

## বিবিধ


| | | |
|---|---|---|
| ৪২। | তথ্য বা দস্তাৱেজ বিচৰাৰ ক্ষমতা। | ২৪ |
| ৪৩। | এই অধিনিয়মৰ অধীনত গোচৰসমূহৰ অনুসন্ধান। | ২৪ |
| ৪৪। | বিহিত প্ৰাধিকাৰৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰলৈ দিয়া প্ৰবিৱৰণ। | ২৪ |
| ৪৫। | সদ্ বিশ্বাসত লোৱা কাৰ্য্যব্যৱস্থাৰ সুৰক্ষা। | ২৪ |
| ৪৬। | কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা দিয়াৰ ক্ষমতা। | ২৪ |
| ৪৭। | ক্ষমতাৰ আৰোপন। | ২৪ |
| ৪৮। | নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা। | ২৫ |
| ৪৯। | আদেশ আৰু নিয়ম সংসদত উত্থাপন কৰা হ'ব। | ২৬ |
| ৫০। | কেতবোৰ ক্ষেত্ৰত ৰেহাই দিয়াৰ ক্ষমতা। | ২৭ |
| ৫১। | কেতবোৰ চৰকাৰী লেনদেনত অধিনিয়মক প্ৰযোজ্য নহ'ব। | ২৭ |
| ৫২। | আন বিধিৰ প্ৰয়োগ বাৰিত নহ'ব। | ২৭ |
| ৫৩। | জটিলতা দূৰীকৰণৰ ক্ষমতা। | ২৭ |
| ৫৪। | নিৰসন আৰু ব্যাবৃত্তি। | ২৭ |

# বিদেশী বৰঙণি (বিনিয়মন) অধিনিয়ম, ২০১০

(২০১০ ৰ সংখ্যা ৪২)

[২৬ চেপ্তেম্বৰ, ২০১০ যথাবিদ্যমান]

কেতবোৰ ব্যক্তি বা সংঘ বা কোম্পানীৰ দ্বাৰা বিদেশী বৰঙণি বা বিদেশী আতিথ্যৰ গ্ৰহণ আৰু উপযোগ বিনিয়মিত কৰিবলৈ আৰু জাতীয় স্বাৰ্থলৈ ক্ষতিকাৰক কোনো কাৰ্য্যকলাপৰ বাবে বিদেশী বৰঙণি বা বিদেশী আতিথ্যৰ গ্ৰহণ আৰু উপযোগক প্ৰতিষেধ কৰিবলৈ আৰু তাৰ সৈতে জড়িত বা তালৈ আনুষঙ্গিক হোৱা বিষয়সমূহৰ বাবে বিধি একত্ৰিত কৰিবলৈ এখন অধিনিয়ম।

ইয়াক ভাৰত গণৰাজ্যৰ একষষ্ঠিতম্ বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিতৰূপে অধিনিয়মিত কৰা হওঁক ঃ—

## অধ্যায়—১

## প্ৰাৰম্ভিক

*সংক্ষিপ্ত নাম, বিস্তাৰ, প্ৰয়োগ আৰু প্ৰাৰম্ভণ।*

১। (১) এই অধিনিয়মখন, বিদেশী বৰঙণি (বিনিয়মন) অধিনিয়ম, ২০১০ নামেৰে অভিহিত হ'ব।

(২) ই সমগ্ৰ ভাৰততে বিস্তাৰিত আৰু ই—

(ক) ভাৰতৰ বাহিৰৰ ভাৰতীয় নাগৰিকলৈ ; আৰু

(খ) ভাৰতত পঞ্জীকৃত বা নিগমিত হোৱা, ভাৰতৰ বাহিৰৰ কোম্পানী বা নিগমিত নিকায়ৰ সহযোগী শাখা বা সহাকাৰীলৈ প্ৰযোজ্য হ'ব।

(৩) ই, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰা এনে তাৰিখত বলবৎ হ'ব ঃ

পৰন্তু এই অধিনিয়মৰ বিভিন্ন উপবন্ধাৱলীৰ বাবে বিভিন্ন তাৰিখ নিয়ত কৰা হ'ব আৰু এই অধিনিয়মৰ প্ৰাৰম্ভণত এনে কোনো উপবন্ধত থকা কোনো প্ৰসঙ্গ নিৰ্দ্দেশক, সেই উপবন্ধৰ বলবৎকৰণত এটা প্ৰসঙ্গৰ নিৰ্দেশৰূপে অৰ্থ কৰা হ'ব।

*পৰিভাষা*

২। (১) এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে,—

*১৮৬০ ৰ ২১*

(ক) "সন্থা" মানে ভাৰতত এটা কাৰ্য্যালয় থকা ব্যক্তিসকলৰ এটা সন্থা, নিগমিত হওঁক বা নহওঁক আৰু ই এখন সমিতিক, সমিতি পঞ্জীয়ন অধিনিয়ম, ১৮৬০ৰ অধীনত পঞ্জীয়ন হওঁক বা নহওঁক আৰু কোনো আন সংগঠনক যি নামেৰেই কোৱা হওঁক, অন্তৰ্ভূক্ত কৰে।

*১৯৯৯ ৰ ৪২*

(খ) "বিদেশী মুদ্ৰা বিনিয়মত প্ৰাধিকৃত ব্যক্তি" মানে বিদেশী মুদ্ৰা বিনিয়ম পৰিচালনা অধিনিয়ম, ১৯৯৯ৰ ২ৰ খণ্ড (গ)ত নিৰ্দ্দেশিত এজন প্ৰাধিকৃত ব্যক্তি ;

১৯৪৯ ৰ ১০ (গ) "বেঙ্ক" মানে বেংকিং বিনিয়মন অধিনিয়ম, ১৯৪৯ ৰ ধাৰা ৫ৰ খণ্ড (গ)ত নির্দ্দেশিত এটা বেংকিং কোম্পানী ;

(ঘ) "নির্বাচনৰ বাবে প্রার্থী" মানে কোনো বিধান মণ্ডললৈ নির্বাচনৰ বাবে এজন প্রার্থী হিচাবে সম্যকৰূপে মনোনীত এজন ব্যক্তি ;

(ঙ) "প্রমাণপত্র" মানে ধাৰা ১২ৰ উপধাৰা (৩)ৰ অধীনত মঞ্জুৰ কৰা পঞ্জীয়নৰ এখন প্রমাণপত্র ;

১৯৬১ ৰ ৪৩ (চ) "কোম্পানী"ৰ আয় কৰ অধিনিয়ম, ১৯৬১ ৰ ধাৰা ২ৰ খণ্ড (১৭)ৰ অধীনত ইয়ালৈ আৰোপিত কৰা অর্থ হ'ব।

(ছ) "বিদেশী কোম্পানী" মানে ভাৰতৰ বাহিৰত নিগমিত হোৱা কোনো কোম্পানী বা সংগঠন বা ব্যক্তিসকলৰ নিকায় আৰু ই নিম্নলিখিতসমূহক অন্তর্ভূক্ত কৰে—

১৯৫৬ ৰ ১ (i) কোম্পানী অধিনিয়ম, ১৯৫৬ৰ ধাৰা ৫৯১ৰ অর্থৰ ভিতৰত এটা বিদেশী কোম্পানী;

(ii) এটা বিদেশী কোম্পানীৰ সহায়কাৰী হোৱা এটা কোম্পানী ;

(iii) উপখণ্ড (১)ত নির্দ্দেশিত এটা বিদেশী কোম্পানী বা উপখণ্ড (২)ত নির্দ্দেশিত কোম্পানীৰ পঞ্জীকৃত কার্য্যালয় বা ব্যৱসায়ৰ মূল স্থান ;

(iv) এটা বহুজাতিক নিগম ;

স্পষ্টীকৰণ— এই উপখণ্ডৰ প্রয়োজনার্থে এখন বিদেশী ৰাষ্ট্র বা ৰাজ্যক্ষেত্রৰ নিগমিত হোৱা এটা নিগমক, এটা বহুজাতিক নিগম বুলি গণ্য কৰা হ'ব যদিহে এনে নিগমৰ,—

(ক) দুই বা ততোধিক দেশত বা ৰাজ্যক্ষেত্রত এটা সহয়কাৰী বা ব্যৱসায়ৰ এটা শাখা বা এটা স্থান থাকে ; বা

(খ) দুই বা ততোধিক দেশত বা ৰাজ্যক্ষেত্রত ব্যৱসায় কৰে, বা অন্যথা প্রৱর্তন কৰে ;

(জ) "বিদেশী বৰঙণি" মানে কোনো বিদেশী উৎসৰ দ্বাৰা

(i) তেওঁৰ ব্যক্তিগত ব্যৱহাৰৰ বাবে উপহাৰ হিচাবে এজন ব্যক্তিলৈ দিয়া এটা সামগ্রী নোহোৱা কোনো সামগ্রীৰ দান, পৰিদান বা অন্তৰণ যদি এনে উপহাৰ দিয়া তাৰিখত ভাৰতত এনে সামগ্রীৰ বজাৰ মূল্য এনে ৰাশিৰ অধিক নহয় যেনেদৰে কেন্দ্রীয় চৰকাৰে ইয়াৰ দ্বাৰা প্রণীত নিয়মাৱলীৰ দ্বাৰা এই মর্মে সময়ে সময়ে বিনির্দ্দিষ্ট কৰে;

(ii) ভাৰতৰেই হওঁক বা বিদেশৰেই হওঁক কোনো প্রচলিত মুদ্রাৰ দান, পৰিদান বা অন্তৰণ ;

১৯৫৬ৰ ৪২ (iii) প্রতিভূতি সংবিদা (বিনিয়মন) অধিনিয়ম, ১৯৫৬ৰ ধাৰা ২ৰ খণ্ড(জ)ত পৰিভাষিত কোনো
১৯৯৯ৰ ৪২ প্রতিভূতিৰ দান, পৰিদান আৰু অন্তৰণ আৰু ই বিদেশী মুদ্রা বিনিময় পৰিচালনা অধিনিয়ম, ১৯৯৯ৰ ধাৰা ২ৰ খণ্ড(ন)ত পৰিভাষিত কোনো বিদেশী প্রতিভূতিক অন্তর্ভূক্ত কৰে।

স্পষ্টীকৰণ—১— কোনো ব্যক্তিৰ দ্বাৰা যিয়ে প্রত্যক্ষভাবে বা এক বা ততোধিক ব্যক্তিৰ জৰিয়তে কোনো বিদেশী উৎসৰ পৰা প্রাপ্ত, এই খণ্ডত নির্দেশিত কোনো সামগ্রী, প্রচলিত মুদ্রা বা বিদেশী প্রতিভূতিৰ এটা দান, পৰিদান বা অন্তৰণক এই খণ্ডৰ অর্থৰ ভিতৰত বিদেশী বৰঙণি বুলি গণ্য কৰা হ'ব।

স্পষ্টীকৰণ—২— ধাৰা ১৭ৰ উপধাৰা (১)ত নিৰ্দ্দেশিত কোনো বেঙ্কত জমা থকা বিদেশী বৰঙণিৰ ওপৰত প্ৰদ্ভুত সুদ বা বিদেশী বৰঙণিৰ পৰা প্ৰাপ্ত কোনো আন আয় বা তাৰ ওপৰত হোৱা সুদকো এই খণ্ডৰ অৰ্থৰ ভিতৰত বিদেশী বৰঙণি বুলি গণ্য কৰা হ'ব।

স্পষ্টীকৰণ—৩— ভাৰতত কোনো বিদেশী উৎসৰ পৰা কোনো ব্যক্তিৰ দ্বাৰা, (বিদেশী ছাত্ৰৰ পৰা ভাৰতত এটা শৈক্ষিক সংস্থাৰ দ্বাৰা আৰোপ কৰা মাচুল অন্তৰ্ভূক্ত কৰি) কোনো মাচুলৰ জৰিয়তে বা ভাৰতৰ ভিতৰতেই হওঁক বা ভাৰতৰ বাহিৰতেই হওঁক, তেওঁৰ ব্যৱসায়, বেপাৰ বা বাণিজ্যৰ সাধাৰণ ক্ৰমত এনে ব্যক্তিৰ দ্বাৰা প্ৰদান কৰা সামগ্ৰী বা সেৱাৰ বাবে হোৱা খৰচৰ সাপেক্ষে বা এনে মাচুল বা খৰচৰ সাপেক্ষে এটা বিদেশী উৎসৰ এজন এজেণ্টৰ পৰা প্ৰাপ্ত কোনো বৰঙণিক, এই খণ্ডৰ অৰ্থৰ ভিতৰত বিদেশী বৰঙণিৰ পৰিভাষাৰ পৰা বহিৰ্ভূত কৰা হ'ব ;

(ঝ) "বিদেশী আতিথ্য" মানে কোনো বিদেশী ৰাষ্ট্ৰৰ বা ৰাজ্য ক্ষেত্ৰলৈ ভ্ৰমণৰ খৰছ সহ বা বিনামূল্যে বিমানত আৰোহন, থকা মেলা, পৰিবহন বা চিকিৎসা ব্যৱস্থা এজন ব্যক্তিক উপবন্ধ কৰাৰ বাবে এটা বিদেশী উৎসৰ পৰা দিয়া নগদ বা সমমূল্যৰ সামগ্ৰীৰ সম্পূৰ্ণভাৱে নৈমিত্তিক নোহোৱা, কোনো প্ৰস্তাৱ ;

(ঞ) "বিদেশী উৎস" ই নিম্নলিখিতসমূহ অন্তৰ্ভূক্ত কৰে,

(i) কোনো বিদেশী ৰাষ্ট্ৰ বা ৰাজ্যক্ষেত্ৰৰ চৰকাৰ আৰু এনে চৰকাৰৰ কোনো এজেঞ্চী ;

(ii) সংঘৰাজ্য বা ইয়াৰ কোনো বিশিষ্ট এজেঞ্চী নোহোৱা কোনো আন্তৰাষ্ট্ৰীয় এজেঞ্চী বা ইয়াৰ কোনো বিশ্ববেংক, অন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধি বা এনে আন এজেঞ্চী যেনেদৰে কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা, এই মৰ্মে বিনিৰ্দ্দিষ্ট কৰে ;

(iii) এটা বিদেশী কোম্পানী ;

(iv) বিদেশী ৰাষ্ট্ৰ বা ৰাজ্যক্ষেত্ৰত নিগমিত এটা বিদেশী কোম্পানী নোহোৱা, এটা নিগম;

(v) খণ্ড (ছ)ৰ উপখণ্ড (iv) ত নিৰ্দ্দেশিত এটা বহুজাতিক নিগম ;

১৯৫৬ ৰ ১ (vi) কোম্পানী অধিনিয়ম, ১৯৫৬ৰ অৰ্থৰ ভিতৰত এটা কোম্পানী, আৰু নিম্নলিখিতসমূহৰ এক বা ততোধিকৰ দ্বাৰা এককভাৱে বা গড়ে ইয়াৰ অংশীদাৰী মূলধনৰ নামমাত্ৰ মূল্যৰ আধাতকৈ অধিক ধাৰণ কৰা কোম্পানী, যেনে ঃ—

(ক) এখন বিদেশী ৰাষ্ট্ৰ বা ৰাজ্যক্ষেত্ৰৰ চৰকাৰ ;

(খ) এখন বিদেশী ৰাষ্ট্ৰ বা ৰাজ্যক্ষেত্ৰৰ নাগৰিক ;

(গ) এখন বিদেশী ৰাষ্ট্ৰ বা ৰাজ্যক্ষত্ৰত নিগমিত নিগম ;

(ঘ) এখন বিদেশী ৰাষ্ট্ৰ বা ৰাজ্যক্ষেত্ৰত গঠিত বা পঞ্জীকৃত (নগমিত হওঁক বা নহওঁক) ন্যাস, সমিতি বা ব্যক্তিসকলৰ আন সন্থা ;

(ঙ) বিদেশী কোম্পানী ;

(vii) কোনো বিদেশী ৰাষ্ট্ৰ বা ৰাজ্যক্ষেত্ৰৰ এটা শ্ৰমিক সংঘ, এনে বিদেশী ৰাষ্ট্ৰ বা ৰাজ্যক্ষেত্ৰত পঞ্জীকৃত হওঁক বা নহওঁক ;

**বিদেশী বৰঙণি (বিনিয়মন) অধিনিয়ম, ২০১০**

(viii) এটা বিদেশী ন্যাস বা এটা বিদেশী সংস্থাপন, যি নামেৰেই কোৱা হওঁক বা এখন বিদেশী ৰাষ্ট্ৰ বা ৰাজ্যক্ষেত্ৰৰ দ্বাৰা মূলত ঃ বিত্তপোষিত এনে ন্যাস বা সংস্থাপন ;

(ix) ভাৰতৰ বাহিৰত গঠিত বা পঞ্জীকৃত এখন সমিতি, সংঘ বা ব্যক্তিসকলৰ আন সন্থা;

(x) এখন বিদেশী ৰাষ্ট্ৰৰ এজন নাগৰিক ;

(ট) "বিধান মণ্ডল" মানে—

(ক) সংসদৰ কোনো সদন ;

(খ) এখন ৰাজ্যৰ বিধান সভা, বা বিধান পৰিষদ থকা এখন ৰাজ্যৰ ক্ষেত্ৰত, সেই ৰাজ্যৰ বিধান মণ্ডলৰ কোনো সদন ;

১৯৬৩ৰ ২০ (গ) সংঘ ৰাজ্যক্ষেত্ৰ শাসন অধিনিয়ম, ১৯৬৩ৰ অধীনত গঠিত এখন সংঘ ৰাজ্যক্ষেত্ৰৰ বিধান সভা ;

১৯৯২ৰ ১ (ঘ) দিল্লীৰ ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰৰ শাসন অধিনিয়ম, ১৯৯১ত নিৰ্দ্দেশিত দিল্লীৰ ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰৰ বিধান সভা ;

(ঙ) সংবিধানৰ অনুচ্ছেদ ২৪৩ত খণ্ড (ঙ)ত পৰিভাষিত পৌৰসভা ;

(চ) সংবিদানৰ ষষ্ঠ অনুসূচীত উপবন্ধিত অসম, মেঘালয়, ত্ৰিপুৰা, আৰু মিজোৰাম ৰাজ্যৰ জিলা পৰিষদ আৰু আঞ্চলিক পৰিষদ ;

(ছ) সংবিধানৰ অনুচ্ছেদ ২৪৩ৰ খণ্ড (ঘ)ত পৰিভাষিত পঞ্চায়ত ; বা

(জ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অধিসূচিত কোনো আন নিৰ্বাচিত নিকায় ;

(ঠ) "অধিসূচনা" মানে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত অধিসূচনা আৰু অভিব্যক্তি "অধিসূচিত"ক তদনুসাৰে অৰ্থ কৰা হ'ব ;

(ড) "ব্যক্তি" য়ে নিম্নলিখিতসমূহক অন্তৰ্ভূক্ত কৰে—

(i) এজন লোক ;

(ii) এটা হিন্দু অবিভক্ত পৰিয়াল ;

(iii) এটা সন্থা ;

১৯৫৬ৰ ১ (I) কোম্পানী অধিনিয়ম, ১৯৫৬ৰ ধাৰা ২৫ৰ অধীনত পঞ্জীকৃত এটা কোম্পানী ;

(ঢ) "ৰাজনৈতিক দল" মানে—

(i) ভাৰতৰ নাগৰিকৰ এটা সন্থা বা ব্যক্তিৰ নিকায় যিটো—

১৯৫১ৰ ৪৩ (ক) লোক প্ৰতিনিধিত্ব অধিনিয়ম, ১৯৫১ৰ ধাৰা ২৯ক অধীনত এটা ৰাজনৈতিক দল ৰূপে ভাৰতৰ নিৰ্বাচন আয়োগৰ সৈতে পঞ্জীকৃত হয় ;

(খ) যাক কোনো বিধান মণ্ডলৰ নিৰ্বচনৰ বাবে প্ৰাৰ্থ থিয় কৰাইছে, কিন্তু নিৰ্বাচন চিহ্ন (সংৰক্ষণ আৰু আবণ্টন) আদেশ, ১৯৬৮ৰ অধীনত এনেদৰে পঞ্জীকৃত কৰা নহয় বা পঞ্জীকৃত বুলি গণ্য কৰা নহয় ;

(ii) সম্প্ৰতি বলবৎ ভাৰতৰ নিৰ্বাচন আয়োগ সংখ্যা ৫৬ (জন্মু আৰু কাশ্মীৰ) ০২, ৮ আগষ্ট ২০০২ত অধিসূচনাৰ তালিকা ১ আৰু তালিকা ২ৰ স্তম্ভ ২ত উল্লেখিত এটা ৰাজনৈতিক দল ;

(ণ) "বিহিত" মানে এই অধিনিয়মৰ অধীনত প্ৰণীত য়িমাৱলীৰ দ্বাৰা বিহিত ;

(ত) "বিহিত প্ৰাধিকাৰী" মানে এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট এটা প্ৰাধিকাৰী ;

১৮৬৭ৰ ২৫ (থ) "পঞ্জীকৃত বাতৰিকাকত" মানে প্ৰেছ আৰু পুস্তক পঞ্জীয়ন অধিনিয়ম, ১৮৬৭ৰ অধীনত পঞ্জীভূক্ত এখন বাতৰি কাকত;

১৯৫৬ৰ ১ (দ) "সম্পৰ্কীয়"ৰ কোম্পানীৰ অধিনিয়ম, ১৯৫৬ৰ ধাৰা ২ৰ খণ্ড (৪১)ত ইয়ালৈ আৰোপিত কৰাৰ দৰে অৰ্থ হ'ব ;

১৯৩৪ৰ ২ (ধ) "অনুসুচিত বেংক"ৰ ভাৰতৰ ৰিজাৰ্ভ বেংক অধিনিয়ম, ১৯৩৪ ধাৰা ২ৰ খণ্ড (ঙ)ৰ অধীনত ইয়ালৈ আৰোপিত কৰাৰ দৰে অৰ্থ হ'ব ;

১৯৫৬ৰ ১ (ন) "সহায়কাৰী আৰু সহযোগী"ৰ কোম্পানী অধিনিয়ম, ১৯৫৬ত সেই বোৰলৈ যথাক্ৰমে আৰোপিত কৰাৰ দৰে অৰ্থ হ'ব ;

১৯২৬ৰ ১৬ (প) "শ্ৰমিক সংঘ" মানে শ্ৰমিক সংঘ অধিনিয়ম, ১৯২৬ৰ অধীনত পঞ্জীকৃত এটা শ্ৰমিক সংঘ ;

১৯৫০ৰ ৪৩ (২) ইয়াৰ ব্যৱহৃত আৰু এই অধিনিয়মত পৰিভাষিত নোহোৱা কিন্তু লোকপ্ৰতিনিধিত্ব অধিনিয়ম,
১৯৫১ৰ ৪৩ ১৯৫০ৰ লোকপ্ৰতিনিধিত্ব অধিনিয়ম, ১৯৫১ বা বিদেশী মূদ্ৰা পৰিচালনা অধিনিয়ম, ১৯৯৯ত
১৯৯৯ৰ ৪২ পৰিভাষিত, শব্দ আৰু অভিব্যক্তি সমূহৰ সেই অধিনিয়মসমূহত সেইবোৰলৈ যথাক্ৰমে আৰোপিত কৰাৰ দৰে অৰ্থ হ'ব।

## অধ্যায়—২

## বিদেশী বৰঙণি আৰু বিদেশী আতিথ্যৰ বিনিয়মন

*বিদেশী বৰঙণি গ্ৰহণ কৰিবলৈ প্ৰতিষেধ কৰা।*

৩। (১) নিম্নলিখিতসমূহৰ কোনোটোৰ দ্বাৰা কোনো বিদেশী বৰঙণি গ্ৰহণ কৰা নহব—

(ক) নিৰ্বাচনৰ বাবে প্ৰাৰ্থী ;

(খ) এখন পঞ্জীকৃত বাতৰিকাকতৰ বাতৰি পৰিবেশক, স্তম্ভ লেখক, কাৰ্টুন আকোতা, সম্পাদক, গৰাকী মুদ্ৰক বা প্ৰকাশক ;

(গ) ন্যায়াধীশ, চৰকাৰী সেৱক বা চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত বা স্বামীত্বাধীন কোনো নিগম বা নিকায় বা কোনো আন নিকায় ;

(ঘ) কোনো বিধান মণ্ডলৰ সদস্য ;

(ঙ) ৰাজনৈতিক দল বা তাৰ পদধাৰী ;

**বিদেশী বৰঙণি (বিনিয়মন) অধিনিয়ম, ২০১০**

(চ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ধাৰা ৫ৰ উপধাৰা (১)ৰ অধীনত বিনিৰ্দিষ্ট কৰা এটা ৰাজনৈতিক চৰিত্ৰৰ সংগঠন ;

(ছ) তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ৰ ধাৰা ২ৰ উপধাৰা (১)ৰ খণ্ড (দ)ত পৰিভাষিত দৰে কোনো ইলেকট্ৰ'নিক মাধ্যমৰ জৰিয়তে বা কোনো আন ইলেকট্ৰ'নিক ৰূপৰ বা কোনো আন জনসংযোগ মাধ্যমেৰে শ্ৰব্য বাতৰি বা শ্ৰব্য দৃশ্য বাতৰি বা চলিত ঘটনাৰ কাৰ্যক্ৰমৰ বা প্ৰযোজনা বা সম্প্ৰচাৰত জড়িত সন্থা বা কোম্পানী ;

(জ) খণ্ড (ছ)ত নিৰ্দ্দেশিত সন্থা বা কোম্পানীৰ বাতৰি পৰিবেশক বা স্তম্ভলেখক, কাৰ্টুন আঁকোতা, সম্পাদক, গৰাকী।

স্পষ্টীকৰণ—খণ্ড (গ) আৰু ধাৰা ৬, ত অভিব্যক্তি "নিগম" মানে চৰকাৰৰ দ্বাৰা স্বামীত্বাধীন বা নিয়ন্ত্ৰিত এটা নিগম আৰু ই, কোম্পানী অধিনিয়ম, ১৯৫৬ৰ ধাৰা ৬১৭ত পৰিভাষিত দৰে এটা চৰকাৰী কোম্পানী অন্তৰ্ভূক্ত কৰে।

(২) (ক) ভাৰতত বাস কৰা কোনো ব্যক্তি আৰু ভাৰতৰ বাহিৰত বাস কৰা কোনো নাগৰিকে উপধাৰা (১)ত নিৰ্দ্দেশিত কোনো ৰাজনৈতিক দল বা কোনো ব্যক্তি বা উভয়ৰ হ'কে বৰঙণি গ্ৰহণ নকৰিব বা এটা বিদেশী উৎসৰ পৰা কোনো বিদেশী কোনো প্ৰচলিত মুদ্ৰা অৰ্জন নকৰিব বা অৰ্জন কৰিবলৈ সন্মত ন'হব।

(খ) ভাৰতত বাস কৰা কোনো ব্যক্তিয়ে, ভাৰতৰেই হওঁক বা বিদেশৰেই হওঁক, কোনো প্ৰচলিত মুদ্ৰা যাক কোনো বিদেশী উৎসৰ পৰা গ্ৰহণ কৰা হৈছে, কোনো ব্যক্তিক প্ৰদান নকৰিব যদি তেওঁ জানে বা বিশ্বাস কৰাৰ যুক্তিসঙ্গত কাৰণ থাকে যে উপধাৰা (১)ত নিৰ্দ্দেশিত কোনো ৰাজনৈতিক দল বা কোনো ব্যক্তি বা উভয়লৈ এনে ব্যক্তিয়ে এনে প্ৰচলিত মুদ্ৰা প্ৰদান কৰিবলৈ প্ৰয়াস কৰে বা প্ৰদান কৰাৰ সম্ভৱনা থাকে।

(গ) ভাৰতৰ বাহিৰত বাস কৰা ভাৰতৰ কোনো নাগৰিক কোনো প্ৰচলিত মুদ্ৰা ভাৰতৰেই হওঁক বা বিদেশৰেই হওঁক, নিম্নলিখিতসমূহলৈ প্ৰদান নকৰিব যাক কোনো বিদেশী উৎসৰ পৰা গ্ৰহণ কৰা হৈছে—

(i) উপধাৰা (১)ত নিৰ্দ্দেশিত কোনো ৰাজনৈতিক দল বা কোনো ব্যক্তি বা উভয়ক ; বা

(ii) কোনো আন ব্যক্তিক, প্ৰদান নকৰিব যদি তেওঁ জানে বা বিশ্বাস কৰাৰ যুক্তিসংগত কাৰণ থাকে যে উপধাৰা (১)ত নিৰ্দ্দেশিত এটা ৰাজনৈতিক দল বা কোনো ব্যক্তি বা উভয়লৈ এনে আন ব্যক্তিয়ে এনে প্ৰচলিত মুদ্ৰা প্ৰদান কৰিবলৈ প্ৰয়াস কৰে বা প্ৰদান কৰাৰ সম্ভাৱনা থাকে।

(৩) ধাৰা ৯ত নিৰ্দ্দেশিত কোনো ব্যক্তি বা ব্যক্তিবৰ্গৰ হকে এটা বিদেশী উৎসৰ পৰা ভাৰতৰেই হওঁক বা বিদেশৰেই হওঁক, কোনো প্ৰচলিত মুদ্ৰা গ্ৰহণ কৰা কোনো ব্যক্তিয়ে, নিম্নলিখিতসমূহলৈ এনে প্ৰচলিত মুদ্ৰা প্ৰদান নকৰিব—

(ক) এজন ব্যক্তি যাৰ বাবে ইয়াক প্ৰাপ্ত কৰা হৈছিল তাৰ ব্যতিৰেকে কোনো ব্যক্তি বা

(খ) এনে যিকোনো ব্যক্তি যদি তেওঁ আন বা বিশ্বাস কৰাৰ যুক্তিসংগত কাৰণ থাকে যে এনে প্ৰচলিত মুদ্ৰা প্ৰাপ্ত কৰা ব্যক্তিৰ ব্যতিৰেকে কোনো ব্যক্তিলৈ এনে প্ৰচলিত মুদ্ৰা প্ৰদান কৰিবলৈ প্ৰয়াস কৰে বা সম্ভাৱনা থাকে।

*ধাৰা ৩ প্ৰজোয্য নোহোৱা ব্যক্তি।*

৪। ধাৰা ৩ত থকা কোনো কথাই, সেই ধাৰাত বিনিৰ্দ্দিষ্ট কোনো ব্যক্তিৰ দ্বাৰা কোনো বিদেশী বৰঙণিৰ গ্ৰহণলৈ প্ৰযোজ্য নহব য'ত এনে বৰঙণি, ধাৰা ১০ৰ উপবন্ধাৱলীৰ সাপেক্ষে,—

(ক) তেওঁলৈ বা তেওঁৰ অধীনত কাৰ্য্য কৰা যিকোনো শ্ৰেণীলৈ কোনো বিদেশী বৰঙণিৰ পৰা দিবলগীয়া বেতন, মজুৰি বা আন পাৰিতোষিকৰ মাধ্যমেৰে বা এনে বিদেশী উৎসৰ পৰা ভাৰতত ব্যৱসায়ৰ লেন-দেনৰ সাধাৰণ ক্ৰমত আদায়ৰ মাধ্যমেৰে তেওঁৰ দ্বাৰা গ্ৰহণ কৰা হয় ; বা

(খ) অন্তঃৰাষ্ট্ৰীয় ব্যৱসায় বা বাণিজ্যৰ ক্ৰমত বা ভাৰতৰ বাহিৰত তেওঁৰ দ্বাৰা ব্যৱসায়ৰ লেন-দেনৰ সাধাৰণ ক্ৰম আদায়ৰ মাধ্যমেৰে তেওঁৰ দ্বাৰা গ্ৰহণ কৰা হয় ; বা

(গ) কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ সৈতে এনে বিদেশী উৎসৰ দ্বাৰা কৰা কোনো লেন-দেনৰ সম্পৰ্কত এটা বিদেশী উৎসৰ এজন প্ৰতিনিধিৰূপে তেওঁৰ দ্বাৰা গ্ৰহণ কৰা হয় ; বা

(ঘ) কোনো ভাৰতীয় প্ৰতিনিধিৰ এজন সদস্যৰূপে তেওঁলৈ দিয়া দান বা উপহাৰৰ মাধ্যমেৰে তেওঁৰ দ্বাৰা গ্ৰহণ কৰা হয়, পৰন্তু এনে দান বা উপহাৰ ইয়াৰ গ্ৰহণ বা প্ৰতিধাৰণক লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণয়ন কৰা নিয়মাৱলীৰ অনুসৰণত এনে উপহাৰ বা বটা গ্ৰহণ কৰা হৈছিল ; বা

(ঙ) তেওঁৰ সম্পৰ্কীয় ব্যক্তিসকলৰ পৰা তেওঁৰ দ্বাৰা গ্ৰহণ কৰা হয় ; বা

*১৯৯৯ৰ ৪২*

(চ) বিদেশী মুদ্ৰা বিনিয়ম পৰিচালনা অধিনিয়ম, ১৯৯৯ৰ অধীনত বিদেশী মুদ্ৰা বিনিয়মত কোনো চৰকাৰী সংযোগ মাধ্যম, ডাক ঘৰ, বা কোনো প্ৰাধিকৃত ব্যক্তিৰ জৰিয়তে ব্যৱসায়ৰ সাধাৰণ ক্ৰমত প্ৰাপ্ত কৰা টকা প্ৰেৰণৰ মাধ্যমেৰে তেওঁৰ দ্বাৰা গ্ৰহণ কৰা হয় বা

(ছ) কোনো বৃত্তি, জলপানী বা একে চৰিত্ৰৰ কোনো আদায়ৰ মাধ্যমেৰে তেওঁৰ দ্বাৰা গ্ৰহণ কৰা হয়।

পৰন্তু যদিহে এই ধাৰাৰ অধীনত বিনিৰ্দ্দিষ্টবোৰৰ ব্যতিৰেকে প্ৰয়োজনসমূহৰ যি কোনোটোৰ বাবে ধাৰা ৩ৰ অধীনত বিনিৰ্দ্দিষ্ট কোনো ব্যক্তিৰ দ্বাৰা কোনো বিদেশী বৰঙণি প্ৰাপ্ত কৰে, এনে বৰঙণি, ধাৰা ৩ৰ উপবন্ধাৱলীৰ উলংঘনত গ্ৰহণ কৰা বুলি গণ্য কৰা হ'ব।

*এটা ৰাজনৈতিক চৰিত্ৰৰ এটা সংগঠন অধিসূচিত কৰাৰ প্ৰক্ৰিয়া।*

৫। (১) কেন্দ্ৰীয় চৰকাৰে, সংগঠনৰ কাৰ্য্যকলাপ বা সংগঠনৰ দ্বাৰা প্ৰচাৰ কৰা আদৰ্শ বা সংগঠনৰ কাৰ্য্যক্ৰমণিকা বা কোনো ৰাজনৈতিক দলৰ কাৰ্য্যকলাপৰ সৈতে সংগঠনসমূহৰ সম্বাৰ ওপৰত লক্ষ্য ৰাখি চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত এটা আদেশৰ দ্বাৰা এনে সংগঠনক, ধাৰা ৩ৰ উপদাৰা (১)ৰ খণ্ড (চ)ত নিৰ্দ্দেশিত এটা ৰাজনৈতিক দল নোহোৱা এটা সংগঠনৰূপে বিনিৰ্দ্দিষ্ট কৰিব পাৰে ঃ

পৰন্তু কেন্দ্ৰীয় চৰকাৰে, ইয়াৰ দ্বাৰা প্ৰণয়ন কৰা নিয়মাৱলীৰ দ্বাৰা কাৰণ বা কাৰণসমূহক বিনিৰ্দ্দিষ্ট কৰি নীতি প্ৰণয়ন কৰিব পাৰে যাৰ ওপৰত এটা সংগঠনক এটা ৰাজনৈতিক চৰিত্ৰৰ সংগঠনৰূপে বিনিৰ্দ্দিষ্ট কৰা হ'ব।

(২) উপধাৰা (১)ৰ অধীনত এটা আদেশ কৰাৰ পূৰ্বে, কেন্দ্ৰীয় চৰকাৰে, সংগঠনটোক, যাৰ

সম্বন্ধত আদেশ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে, ইয়াক লিখিত ভাৱে এখন জাননী দি কাৰণ বা কাৰণসমূহৰ সূচনা দিব যাৰ ওপৰত ইয়াক সেই উপধাৰাৰ অধীনত ৰাজনৈতিক চৰিত্ৰৰ এটা সংগঠনৰূপে বিনিৰ্দ্দিষ্ট কৰিবলৈ প্ৰস্তাৱিত কৰা হয়।

(৩) এটা সংগঠন য'লৈ উপধাৰা (২)ৰ অধীনত এখন সূচনা জাৰী কৰা হয়, সূচনাৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ কালৰ ভিতৰত, কেন্দ্ৰীয় চৰকাৰক, উপধাৰা (১)ৰ অধীনত এনে সংগঠনক এটা সংগঠনৰূপে বিনিৰ্দ্দিষ্ট নকৰাৰ বাবে কাৰণসমূহ জনাই এখন আবেদন দিব পাৰে ঃ

পৰন্তু কেন্দ্ৰীয় চৰকাৰে, উক্ত ত্ৰিশ দিনৰ অবসানৰ পাছত আবেদন গ্ৰহণ কৰিব পাৰে, যদি ই সন্তুষ্ট হয় যে সংগঠনটোক পৰ্য্যাপ্ত কাৰণৰ দ্বাৰা ত্ৰিশ দিনৰ ভিতৰত আবেদন কৰা বাবে প্ৰতিষেধ কৰা হৈছিল।

(৪) কেন্দ্ৰীয় চৰকাৰে, যদিহে ই, ইয়াক সমূচিত বিবেচনা কৰে, এনে আবেদনৰ ওপৰত কোনো প্ৰাধিকাৰীলৈ প্ৰতিবেদন দাখিল কৰিবলৈ উপধাৰা (৩)ত নিৰ্দ্দেশিত আবেদনখন প্ৰেৰণ কৰিব পাৰে।

(৫) কেন্দ্ৰীয় চৰকাৰে, উপধাৰা (৪)ত নিৰ্দ্দেশিত প্ৰাধিকাৰীৰ আবেদন আৰু প্ৰতিবেদন বিবেচনা কৰাৰ পাছত, এনে সংগঠনক, এটা ৰাজনৈতিক দল নোহোৱা এটা ৰাজনৈতিক চৰিত্ৰৰ এটা সংগঠনৰূপে বিনিৰ্দ্দিষ্ট কৰিব পাৰে আৰু তদনুসাৰে উপধাৰা (১)ৰ অধীনত এটা আদেশ দিব পাৰে।

(৬) উপধাৰা (১)ৰ অধীনৰ প্ৰত্যেক আদেশ, উপধাৰা (২)ৰ অধীনত এখন সূচনা জাৰীৰ তাৰিখৰ পৰা এশ বিশ দিনৰ এটা কালৰ ভিতৰত দিয়া হ'ব ঃ

পৰন্তু যদিহে উক্ত এশ বিশ দিনৰ কালৰ ভিতৰত কোনো আদেশ দিয়া নহয়, কেন্দ্ৰীয় চৰকাৰে, তাৰ কাৰণসমূহ অভিলেখিত কৰাৰ পাছত, উপধাৰা (১)ৰ অধীনত উক্ত এশ বিশ দিনৰ কালৰ অৱসানৰ পৰা ষাঠি দিনৰ এটা কালৰ ভিতৰত এটা আদেশ দিব পাৰে।

*বিদেশী আতিথ্যৰ গ্ৰহণ ওপৰত নিৰ্বন্ধন।*

৬। এটা বিধানমণ্ডলৰ কোনো সদস্য বা এটা ৰাজনৈতিক দলৰ কাৰ্য্যালয়ৰ কোনো পদাধিকাৰী বা ন্যায়াধীশ বা চৰকাৰী চাকৰিয়াল বা কোনো নিগমৰ কোনো কৰ্মচাৰী বা চৰকাৰৰ দ্বাৰা স্বামীত্বধীন বা নিয়ন্ত্ৰিত কোনো আন নিকায়ে, ভাৰতৰ বাহিৰৰ কোনো দেশ বা ৰাজ্যক্ষেত্ৰ ভ্ৰমণ কৰোতে, কেন্দ্ৰীয় চৰকাৰে পূৰ্ব অনুমতি ব্যতিৰেকে, কোনো বিদেশী আতিথ্য গ্ৰহণ নকৰিব ঃ

পৰন্তু ভাৰতৰ বাহিৰৰ এটা ভ্ৰমণৰ কালত হঠাৎ হোৱা অসুস্থতাৰ কাৰণে আৱশ্যক হোৱা এটা জৰুৰী চিকিৎসা সাহাৰ্য্যৰ বাবে কোনো এনে অনুমতি লোৱাৰ আৱশ্যক নহব, কিন্তু, য'ত এনে বিদেশী আতিথ্য প্ৰাপ্ত কৰা হয়, এনে আতিথ্য প্ৰাপ্ত কৰা ব্যক্তিয়ে, এনে আতিথ্য প্ৰাপ্তিৰ তাৰিখৰ পৰা এমাহৰ ভিতৰত, এনে আতিথ্য প্ৰাপ্তিৰ বিষয়ে আৰু কি উৎসৰ পৰা আৰু কি ৰীতিত তেওঁৰ দ্বাৰা এনে আতিথ্য প্ৰাপ্ত কৰা হৈছিল, সেই বিষয়ে কেন্দ্ৰীয় চৰকাৰক জনাব।

**বিদেশী বৰঙণি (বিনিয়মন) অধিনিয়ম, ২০১০**

*আন ব্যক্তিলৈ বিদেশী বৰঙণি অন্তৰণৰ প্ৰতিষেধ।*

৭। কোনো ব্যক্তিয়ে, যিজনে—

(ক) এই অধিনিয়মৰ অধীনত পঞ্জীকৃত হয় আৰু এখন প্ৰমাণ পত্ৰ মঞ্জুৰ কৰা হয় বা পূৰ্বৰ অনুমতি লাভ কৰিছে ; আৰু

(খ) কোনো বিদেশী বৰঙণি প্ৰাপ্ত কৰিছে ;

আন কোনো ব্যক্তিলৈ এনে বৰঙণি অন্তৰণ নকৰিব যি পৰ্য্যন্ত এনে আন ব্যক্তিজনেও এই অধিনিয়মৰ অধীনত পঞ্জীকৃত নহয় আৰু এখন প্ৰমাণ পত্ৰ মঞ্জুৰ কৰা নহয় বা এই পূৰ্ব অনুমতি প্ৰাপ্ত নকৰে ঃ

পৰন্তু এনে ব্যক্তিয়ে, এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত নিয়মাৱলীৰ অনুসৰণত এখন প্ৰমাণ পত্ৰ মঞ্জুৰ নকৰা বা অনুমতি লাভ নকৰা কোনো আন ব্যক্তিলৈ কোনো বিদেশী বৰঙণিৰ এটা ভাগ কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমোদনসহ অন্তৰণ কৰিব পাৰে।

*প্ৰশাসনিক প্ৰয়োজনৰ বাবে বিদেশী বৰঙণিৰ ব্যৱহাৰ কৰাত নিৰ্বন্ধন।*

৮। (১) প্ৰত্যেক ব্যক্তি, যিজনক এই অধিনিয়মৰ অধীনত পঞ্জীকৃত কৰা হয় আৰু এখন প্ৰমাণ পত্ৰ মঞ্জুৰ কৰা হয় বা পূৰ্ব অনুমতি দিয়া হয় আৰু কোনো বিদেশী বৰঙণি প্ৰাপ্ত কৰে,—

(ক) তেওঁ এনে বৰঙণি সেই প্ৰিয়োজনৰ বাবে ব্যৱহাৰ কৰিব যাৰ বাবে বৰঙণি প্ৰাপ্ত কৰা হৈছে ঃ

পৰন্তু কোনো বিদেশী বৰঙণি বা ইয়াৰ পৰা উদ্ভৱ হোৱা কোনো আয় লাভকল্পি ব্যৱসায়ৰ বাবে ব্যৱহাৰ কৰা নহ'ব ঃ

উপৰন্তু কেন্দ্ৰীয় চৰকাৰে নিয়মাৱলীৰ দ্বাৰা, কাৰ্য্যকলাপ বা ব্যৱসায় বিনিৰ্দ্দিষ্ট কৰিব যিবোৰক, এই ধাৰাৰ প্ৰয়োজনাৰ্থে লাভজনক ব্যৱসায়ৰূপে অৰ্থ কৰা হ'ব ;

(খ) প্ৰশাসনিক ব্যয় পূৰণ কৰিবলৈ, এটা বিত্তীয় বৰ্ষত প্ৰাপ্ত কৰা এনে বৰঙণিৰ পঞ্চাশ শতাংশৰ অনধিক এনে ধন ৰাশি, যথা সম্ভৱ পৰিশোধ নকৰিব ঃ

পৰন্তু এনে বৰঙণিৰ পঞ্চাশ শতাংশৰ অধিক প্ৰশাসনিক ব্যয়, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমোদন সহ পৰিশোধ কৰিব পাৰে।

(২) কেন্দ্ৰীয় চৰকাৰে, উপাদানসমূহ বিহিত কৰিব পাৰে যিবোৰক প্ৰশাসনিক ব্যয়ত অন্তৰ্ভূক্ত কৰা হ'ব আৰু ৰীতি য'ত উপধাৰা (১)ত নিৰ্দ্দেশিত প্ৰশাসনিক ব্যয়সমূহক হিচাব কৰা হ'ব।

*কেতবোৰ ক্ষেত্ৰত বিদেশী বৰঙণি, ইত্যাদিৰ গ্ৰহণ প্ৰতিষেধ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা।*

৯। কেন্দ্ৰীয় চৰকাৰে—

(ক) ধাৰা ৩ত বিনিৰ্দ্দিষ্ট নকৰা কোনো ব্যক্তি বা সংগঠনক, কোনো বিদেশী বৰঙণি গ্ৰহণত নিষেধ কৰিব পাৰে ;

(খ) কোনো বিদেশী আতিথ্য গ্ৰহণ পূৰ্বে কেন্দ্ৰীয় পূৰ্বে কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমতিপ্ৰাপ্ত কৰিবলৈ ধাৰা ৬ত বিনিৰ্দ্দিষ্ট নকৰা কোনো ব্যক্তি বা ব্যক্তিসমূহৰ শ্ৰেণীক অপেক্ষিত কৰিব পাৰে ;

(গ) এনে ব্যক্তি বা যথাস্থিতি ব্যক্তিসকলৰ শ্ৰেণীৰ দ্বাৰা প্ৰাপ্ত কোনো বিদেশী বৰঙণিৰ ধন ৰাশি আৰু কি উৎসৰ পৰা আৰু কি ৰীতিত এনে বৰঙণি প্ৰাপ্ত কৰা হৈছিল আৰু কি প্ৰয়োজনৰ বাবে আৰু কি ৰীতিত এনে বিদেশী বৰঙণি ব্যৱহাৰ কৰা হৈছিল সেই বিষয়ে বিহিত কৰা দৰে এনে সময়ৰ ভিতৰত আৰু এনে ৰীতিত সূচনা দিবলৈ ধাৰা ১১ত বিনিৰ্দ্দিষ্ট নোহোৱা কোনো ব্যক্তি বা ব্যক্তিসমূহৰ শ্ৰেণীক অপেক্ষিত কৰিব পাৰে ;

(ঘ) ধাৰা ১১ৰ উপধাৰা (১)ৰ উপৰন্ধাৱলীৰ প্ৰতিকূল নোহোৱাকৈ সেই উপধাৰাত বিনিৰ্দ্দিষ্ট কোনো ব্যক্তি বা ব্যক্তিসকলৰ শ্ৰেণীক, কোনো বিদেশী বৰঙণি গ্ৰহণৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমতি লাভ কৰিবলৈ অপেক্ষিত কৰিব পাৰে ;

(ঙ) ধাৰা ৬ত বিনিৰ্দ্দিষ্ট নোহোৱা কোনো ব্যক্তি বা ব্যক্তিসকলৰ শ্ৰেণীক বিহিত কৰা দৰে এনে সময়ৰ ভিতৰত আৰু এনে ৰীতিত, কোনো বিদেশী আতিথ্যৰ প্ৰাপ্তি কি উৎসৰ পৰা আৰু কি ৰীতিত এনে আতিথ্য প্ৰাপ্ত কৰা হৈছিল সেই বিষয়ে জাননী দিবলৈ অপেক্ষিত কৰিব পাৰে ঃ

পৰন্তু এনে কোনো নিষেধ বা অপেক্ষা কৰা নহব যি পৰ্য্যন্ত কেন্দ্ৰীয় চৰকাৰে, যথাস্থিতি এনে ব্যক্তি বা ব্যক্তিসকলৰ শ্ৰেণীৰ দ্বাৰা বিদেশী বৰঙণি গ্ৰহণ বা এনে ব্যক্তিৰ দ্বাৰা বিদেশী আতিথ্যৰ গ্ৰহণে নিম্নলিখিতসমূহক প্ৰতিকূল ভাবে প্ৰভাৱিত কৰাৰ সম্ভাৱনা আছে বুলি সন্তুষ্ট নহয়—

(i) ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা ; বা

(ii) ৰাজহুৱা স্বাৰ্থ ; বা

(iii) কোনো বিধান মণ্ডললৈ স্বাধীনতা বা নিৰ্বাচনৰ ঔচিত্য ; বা

(iv) বিদেশী ৰাজ্যৰ সৈতে বন্ধুত্বপূৰ্ণ বা সম্পৰ্ক ; বা

(v) ধৰ্ম্মীয়, জাতি সম্বন্ধীয়, সামাজিক, ভাষিক বা আঞ্চলিক দল, জাতি বা সম্প্ৰদায়ৰ মাজত সমন্বয়।

*এই অধিনিয়মৰ উলংঘনত প্ৰাপ্ত কৰা প্ৰচলিত মুদ্ৰাৰ আদায় প্ৰতিষেধ কৰাৰ ক্ষমতা।*

১০। য'ত কেন্দ্ৰীয় চৰকাৰে ই, উচিত গণ্য কৰা দৰে, এনে তদন্ত কৰাৰ পাছত সন্তুষ্ট হয় যে কোনো ব্যক্তিৰ, তেওঁৰ অভিৰক্ষাত বা নিয়ন্ত্ৰণত থকা কোনো সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতি, ভাৰতৰেই হওঁক বা বিদেশৰেই হওঁক, যিটো এই অধিনিয়মৰ উপবন্ধাৱলীৰ যি কোনোটোৰ উলংঘনত এনে ব্যক্তিৰ দ্বাৰা গ্ৰহণ কৰা হৈছে, ই লিখিত আদেশৰ দ্বাৰা, এনে ব্যক্তিক, কেন্দ্ৰীয় চৰকাৰৰ লিখিত আদেশৰ অনুসৰি অন্যথা এনে সামগ্ৰীৰ বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতি যিয়েই হওঁক এনে ৰীতিত এনে ব্যক্তিক, আদায় দিয়া, প্ৰদান কৰা, অন্তৰণ কৰা অন্যথা সংব্যৱহৃত কৰাৰ পৰা নিষেধ কৰিব পাৰে আৰু এনে আদেশৰ এটা প্ৰতিলিপি বিহিত ৰীতিত, এনেদৰে নিষেধ কৰা ব্যক্তিৰ ওপৰত জাৰী কৰা হ'ব আৰু ইয়াৰ ওপৰত বিধি বিবুদ্ধ কাৰ্য্যকলাপ (নিবাৰণ) অধিনিয়ম, ১৯৬৭ৰ ধাৰা ৭ৰ উপধাৰা (২), (৩), (৪), আৰু (৫)ত উপবন্ধাৱলী এনে সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতিলৈ বা সম্পৰ্কত যিমানদূৰ

১৯৬৭ৰ ৩৭

পৰা যায়, প্ৰযোজ্য হ'ব আৰু টকা, প্ৰতিভূতি বা জমাৰ, সম্পৰ্কত উক্ত উপধাৰাত থকা প্ৰসংগত নিৰ্দেশক, এনে সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতিৰ এটা প্ৰসংগ নিৰ্দ্দেশৰূপে অৰ্থ কৰা হ'ব।

## বিদেশী বৰঙণি (বিনিয়মন) অধিনিয়ম, ২০১০

### অধ্যায়—৩

### পঞ্জীয়ন

*কেন্দ্ৰীয় চৰকাৰৰ সৈতে কেতবোৰ ব্যক্তিৰ পঞ্জীয়ন।*

১১। (১) এই অধিনিয়মত অন্যথা উপবন্ধিত ব্যক্তিৰেকে, এটা নিৰ্দিষ্ট ,সাংস্কৃতিক, অৰ্থনৈতিক, শৈক্ষিক, ধৰ্মীয় বা সামাজিক কাৰ্য্য প্ৰক্ৰিয়া থকা কোনো ব্যক্তিয়ে, বিদেশী বৰঙণি গ্ৰহণ নকৰিব যি পৰ্য্যন্ত এনে ব্যক্তিয়ে কেন্দ্ৰীয় চৰকাৰৰ পৰা পঞ্জীয়নৰ এখন প্ৰমাণপত্ৰ প্ৰাপ্ত নকৰা ঃ

১৯৭৬ৰ ৪৯

পৰন্তু উপধাৰা ৬ৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ সৈতে পঞ্জীকৃত বা এই অধিনিয়মৰ প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে স্থিত বিদেশী বৰঙণি (বিনিয়মন) অধিনিয়ম, ১৯৭৬ৰ সেই ধাৰাৰ অধীনত পূৰ্ব অনুমতি মঞ্জুৰ কৰা কোনো সন্থাক, এই অধিনিয়মৰ অধীনত পঞ্জীকৃত বা পূৰ্ব অনুমতি মঞ্জুৰ কৰা বুলি গণ্য কৰা হ'ব আৰু এনে পঞ্জীয়ন, এই ধাৰাৰ বলবৎ হোৱা তাৰিখৰ পৰা পাচ বছৰ এটা কালৰ বাবে বৈধ হ'ব।

(২) উপধাৰা (১)ত নিৰ্দ্দেশিত প্ৰত্যেক ব্যক্তি, যদি ই, সেই উপধাৰাৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ সৈতে পঞ্জীকৃত নহয়, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমতি কেৱল মাত্ৰ প্ৰাপ্ত কৰাৰ পাছত কোনো বিদেশী বৰঙণি গ্ৰহণ কৰিব পাৰে আৰু এনে পূৰ্ব অনুমতি, এনে বিনিৰ্দ্দিষ্ট প্ৰয়োজনৰ বাবে বৈধ হ'ব যাৰ বাবে বিনিৰ্দ্দিষ্ট উৎসৰ পৰা ইয়াক প্ৰাপ্ত কৰা হৈছে ঃ

১৯৭৬ৰ ৪৯

পৰন্তু যদি উপধাৰা (১) আৰু (২) ত নিৰ্দ্দেশিত ব্যক্তি, এই অধিনিয়মৰ উপবন্ধাৱলীৰ যিকোনোটো বা বিদেশী বৰঙণি (বিনিয়মন) অধিনিয়ম ১৯৭৬ৰ উলংঘনত দোষী সাব্যস্ত, বিদেসী বৰঙণিৰ অব্যৱহৃত বা প্ৰাপ্ত নোহোৱা ধন ৰাশি, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমোদন অবিহনে ব্যৱহাৰ বা যথাস্থিতি প্ৰাপ্ত কৰা নহব।

(৩) এই অধিনিয়মত কোনো কথা থকা সত্বেও, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত, অধিসূচনাৰ দ্বাৰা, নিম্নলিখিত সমূহক বিনিৰ্দ্দিষ্ট কৰিব পাৰে—

(i) ব্যক্তি বা ব্যক্তি সকলৰ শ্ৰেণী যিয়ে বিদেশী বৰঙণি গ্ৰহণ কৰাৰ পূৰ্বে ইয়াৰ পূৰ্ব অনুমতি প্ৰাপ্ত কৰিব ; বা

(ii) এলেকা বা এলেকাসমূহ য'ত বিদেশী বৰঙণি, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমতিসহ গ্ৰহণ আৰু ব্যৱহাৰ কৰা হ'ব ; বা

(iii) প্ৰয়োজন বা প্ৰয়োজনসমূহ যাৰ বাবে বিদেশী বৰঙণি, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমতিসহ ব্যৱহাৰ কৰা হ'ব ; বা

(iv) উৎস বা উৎসসমূহ য'ৰ পৰা বিদেশী বৰঙণি, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমতিসহ গ্ৰহণ কৰা হ'ব।

*পঞ্জীয়নৰ প্ৰমান পত্ৰৰ মঞ্জুৰকৰণ।*

১২। (১) ধাৰা ১১ত নিৰ্দ্দেশিত এজন ব্যক্তিৰ দ্বাৰা প্ৰমাণ পত্ৰ মঞ্জুৰকৰণ বা পূৰ্ব অনুমতি দিবৰ বাবে, বিহিত কৰা এনে প্ৰ-পত্ৰ আৰু ৰীতিত আৰু এনে মাচুলসহ একেলগে কেন্দ্ৰীয় চৰকাৰলৈ এখন আবেদন কৰিব।

**বিদেশী বৰঙণি (বিনিয়মন) অধিনিয়ম, ২০১০**

(২) উপধাৰা (১)ৰ অধীনত এখন আবেদনৰ প্ৰাপ্তিত কেন্দ্ৰীয় চৰকাৰে, এটা আদেশৰ দ্বাৰা, যদি আবেদনখন, বিহিত প্ৰ-পত্ৰত নাথাকে বা সেই প্ৰ-পত্ৰত বিনিৰ্দ্দিষ্ট সবিশেষবোৰৰ যিকোনো এটা নাথাকে আবেদনখন অগ্ৰাহ্য কৰিব।

(৩) যদি এখন প্ৰমানপত্ৰৰ মজুৰকৰণৰ বাবে এখন আবেদনৰ প্ৰাপ্তিত বা পূৰ্ব অনুমতি দিয়াত আৰু এনে তদন্ত কৰাৰ পাছত যেনেদৰে কেন্দ্ৰীয় চৰকাৰে উচিত গণ্য কৰে, এইটো মত হয় যে উপধাৰা (৪)ত বিনিৰ্দ্দিষ্ট চৰ্তাৱলী পূৰণ কৰা হৈছে, ই উপধাৰা (১)ৰ অধীনত আবেদনৰ প্ৰাপ্তিৰ তাৰিখৰ পৰা নব্বৈ দিনৰ ভিতৰত সাধাৰণভাৱে বিহিত কৰা দৰে এনে নিবন্ধন আৰু চৰ্তাৱলীৰ সাপেক্ষে, এনে ব্যক্তিক পঞ্জীয়ন কৰিব আৰু তেওঁক এখন প্ৰমানপত্ৰ মজুৰ কৰিব বা যথাস্থিতি তেওঁক পূৰ্ব অনুমতি দিব ঃ

পৰন্তু যদিহে, কেন্দ্ৰীয় চৰকাৰে, উক্ত নব্বৈ দিনৰ কালৰ ভিতৰত এখন প্ৰমাণ পত্ৰ মজুৰ নকৰে বা পূৰ্ব অনুমতি নিদিয়ে, ই আবেদনকাৰীলৈ তাৰ কাৰণসমূহ অবগত কৰিব ঃ

উপৰন্তু এজন ব্যক্তি, এখন প্ৰমাণপত্ৰৰ মঞ্জুৰী বা পূৰ্ব অনুমতি দিয়াৰ বাবে যোগ্য নহ'ব, যদি তেওঁৰ প্ৰমাণ পত্ৰ, নিলম্বন কৰা হয় আৰু এনে প্ৰমাণ পত্ৰ নিলম্বন, আবেদন দিয়া তাৰিখত চলি থাকে।

(৪) নিম্নলিখিতসমূহ, উপধাৰা (৩)ৰ প্ৰয়োজনাৰ্থে চৰ্তাৱলী হ'ব যেনে—

(ক) উপধাৰা (১)ৰ অধীনত পঞ্জীয়ন বা পূৰ্ব অনুমতি মঞ্জুৰকৰণৰ বাবে আবেদন কৰা ব্যক্তি,—

(i) কপটাচাৰী বা বেনামী নহয় ;

(ii) এটা ধৰ্মীয় বিশ্বাসৰ পৰা আনলৈ প্ৰত্যক্ষভাৱে বা পৰোক্ষভাৱে উচতনি বা বল প্ৰয়োগৰ মাধ্যমেৰে পৰিৱৰ্তনৰ লক্ষ্যৰে কাৰ্য কালসমূহত প্ৰবৃত্তকৰণৰ বাবে দোষীসাব্যস্ত বা অভিযুক্ত কৰা নহয় ;

(iii) যিকোনো বিনিৰ্দ্দিষ্ট জিলা বা দেশৰ কোনো আন ভাগত সাম্প্ৰদায়িক উদ্বেগ বা সমন্বয়বিহীনতাৰ সৃষ্টিৰ বাবে দোষীসাব্যস্ত বা অভিযুক্ত কৰা নহয় ;

(vi) ইয়াৰ নিধিৰ পৰিৱৰ্তন বা অপব্যৱহাৰত দোষী পোৱা নহয় ;

(v) ৰাজদ্ৰোহৰ প্ৰসাৰ বা ইয়াৰ পৰিনাম প্ৰাপ্ত কৰিবলৈ হিংসাত্মক পদ্ধতিৰ সমৰ্থনত আবদ্ধ নহয় বা আবদ্ধ হোৱাৰ সম্ভৱনা নাথাকে ;

(vi) ব্যক্তিগত লাভৰ বাবে বিদেশী বৰঙণি ব্যবহাৰ কৰিবলৈ বা অবাঞ্চনীয় প্ৰয়োজনৰ বাবে ইয়াক পৰিৱৰ্তন কৰিবলৈ সম্ভৱনা নাথাকে ;

(vii) এই অধিনিয়মৰ উপবন্ধাৱলীৰ যিকোনোটোৰ উলংঘন কৰা নাই ;

(viii) বিদেশী বৰঙণি গ্ৰহণ কৰাৰ পৰা প্ৰতিষেধ কৰা হোৱা নাই ;

(খ) উপধাৰা (১)ৰ অধীনত পঞ্জীয়নৰ বাবে আবেদন কৰা ব্যক্তিয়ে সমাজৰ হিতাৰ্থে ইয়াৰ নিৰ্বাচিত ক্ষেত্ৰত যুক্তিসংগত কাৰ্য্যকলাপ গ্ৰহণ কৰে যাৰ বাবে বিদেশী বৰঙণিক ব্যৱহাৰ কৰিবলৈ প্ৰস্তাৱিত কৰা হৈছে ;

(গ) উপধাৰা (১)ৰ অধীনত পূৰ্ব অনুমতি দিয়াৰ বাবে এখন আবেদন কৰা ব্যক্তিয়ে সমাজৰ হিতাৰ্থে এটা যুক্তি সংগত প্ৰকল্প প্ৰস্তুত কৰে যাৰ বাবে বিদেশী বৰঙণিক ব্যৱহাৰ কৰিবলৈ প্ৰস্তাৱিত কৰা হৈছে ;

(ঘ) যদিহে, এককজন এজন ব্যক্তি হয়, এনে ব্যক্তিক, সম্প্ৰতি বলবৎ কোনো বিধিৰ অধীনত দোষীসাব্যস্ত কৰা হোৱা নাই বা তেওঁৰ বিৰুদ্ধে লম্বিত কোনো অপৰাধৰ বাবে কোনো অভিযোজন কৰা হোৱা নাই ;

(ঙ) যদিহে, এটা এককৰ ব্যতিৰেকে এজন ব্যক্তি ইয়াৰ যিকোনো এজন সঞ্চালক সকলৰ বা পদাধিকাৰীজনক সম্প্ৰতি বলৱৎ থকা যিকোনো বিধিৰ অধীনত দোষী সাব্যস্ত কৰা হোৱা নাই বা তেওঁৰ বিৰুদ্ধে লম্বিত কোনো অপৰাধৰ বাবে কোনো অভিযোজন কৰা হোৱা নাই ;

(চ) উপধাৰা (১)ত নিৰ্দেশিত ব্যক্তিৰ দ্বাৰা বিদেশী বৰঙণিৰ গ্ৰহণে নিম্নলিখিতসমূহক প্ৰতিকূল প্ৰভাবিত কৰাৰ সম্ভৱনা নাথাকে—

(i) ভাৰতৰ সাৰ্বভৌমত্বৰ আৰু অখণ্ডতা ; বা

(ii) ৰাজ্যৰ সুৰক্ষা, ৰণকৌশলীয়, বৈজ্ঞানিক বা অৰ্থনৈতিক স্বাৰ্থ ; বা

(iii) লোক স্বাৰ্থ ; বা

(iv) কোনো বিধানমণ্ডলৰ স্বাধীনতা বা নিৰ্বাচনৰ ঔচিত্য ; বা

(v) কোনো বিদেশী ৰাজ্যৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক ; বা

(vi) ধৰ্মীয়, জাতিৰ সম্বন্ধীয় সামাজিক, ভাষিক, আঞ্চলিক দল, জাতি বা সম্প্ৰদায়ৰ মাজত সমন্বয় ;

(ছ) উপধাৰা (১)ত নিদেশিত বিদেশী বৰঙণিৰ গ্ৰহণে—

(i) এটা অপৰাধৰ উচটনিলৈ প্ৰাধান্য নিদিব ;

(ii) কোনো ব্যক্তিৰ জীৱন বা শাৰীৰিক সুৰক্ষালৈ বিপদগ্ৰস্ত নকৰিব ।

(৫) য'ত কেন্দ্ৰীয় চৰকাৰে, প্ৰমানপত্ৰৰ মঞ্জুৰকৰণ অস্বীকাৰ কৰে বা পূৰ্ব অনুমতি নিদিয়ে, ই
২০০৫ ৰ ২২ ইয়াৰ আদেশত তাৰ কাৰণসমূহ অভিলিখিত কৰিব আৰু তাৰ এটা প্ৰতিলিপি আবেদনকাৰীলৈ প্ৰেৰণ কৰিব ;

পৰন্তু কেন্দ্ৰীয় চৰকাৰে এই ধাৰাৰ অধীনত প্ৰমাণপত্ৰ মঞ্জুৰকৰণৰ অস্বীকাৰকৰণৰ বাবে বা আবেদনকাৰীক পূৰ্ব অনুমতি নিদিয়াৰ বাবে কাৰণসমূহ নজনাব পাৰে যি ক্ষেত্ৰত য'ত তথ্যৰ অধিকাৰ অধিনিয়ম, ২০০৫ৰ অধীনত কোনো তথ্য বা দস্তাৱেজ বা অভিলেখ বা কাগজ পত্ৰ দিবলৈ কোনো বাধ্যবাধকতা নাথাকে।

(৬) উপধাৰা (৩)ৰ অধীনত মঞ্জুৰ কৰা প্ৰমাণপত্ৰ, পাঁচ বছৰৰ এটা কালৰ বাবে বৈধ হ'ব আৰু পূৰ্ব অনুমতি, বিশেষ প্ৰয়োজন বা যথাস্থিতি প্ৰাপ্ত কৰিবলৈ প্ৰস্তাৱিত হোৱা এনে বিনিৰ্দ্দিষ্ট পৰিমানৰ বিদেশী বৰঙণিৰ বাবে বৈধ হ'ব।

*প্ৰমাণ পত্ৰৰ স্থগন*

১৩। (১) য'ত কেন্দ্ৰীয় চৰকাৰে, লিখিত ভাৱে অভিলিখিত কৰিবলগীয়া কাৰণসমূহৰ বাবে সন্তুষ্ট হয় যে ধাৰা ১৪ৰ উপধাৰা (১)ত উল্লিখিত কাৰণসমূহৰ যিকোনো এটাৰ ওপৰত প্ৰমাণ পত্ৰৰ ৰদ্‌নকৰণৰ প্ৰশ্নৰ বিবেচনাৰ লম্বিতকৰণত, এনে কৰাটো আৱশ্যকীয়, ই লিখিতভাৱে আদেশৰ দ্বাৰা, এশ আশী দিনৰ অনধিক এনে কালৰ বাবে প্ৰমাণ পত্ৰ স্থগন কৰিব পাৰে যেনেদৰে আদেশৰে আদেশত বিনিৰ্দ্দিষ্ট কৰা হ(২)প্ৰমাণ পত্ৰ স্থগিত কৰা প্ৰত্যেক ব্যক্তিয়ে—

(ক) প্ৰমাণ পত্ৰ স্থগনৰ কালৰ ভিতৰত কোনো বিদেশী বৰঙণি প্ৰাপ্ত নকৰিব ঃ

পৰন্তু কেন্দ্ৰীয় চৰকাৰে, এনে ব্যক্তিৰ দ্বাৰা কৰা এখন আবেদনৰ ওপৰত, যদি ই সমুচিত বিবেচনা কৰে, ই বিনিৰ্দ্দিষ্ট কৰাৰ দৰে এনে নিবন্ধৰ আৰু চৰ্তাৱলীৰ ওপৰত কোনো এনে ব্যক্তিৰ দ্বাৰা কোনো বিদেশী বৰঙণিৰ প্ৰাপ্তিক অনুমতি দিয়ে।

(খ) কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমতিসহ তেওঁৰ অভিৰক্ষাত থকা বিদেশী বৰঙণি বিহিত ৰীতিত ব্যৱহাৰ কৰিব।

*প্ৰমাণপত্ৰৰ ৰদ্‌কৰণ।*

১৪। (১) কেন্দ্ৰীয় চৰকাৰে, যদি এনে তদন্ত কৰাৰ পাছত ই যদি সন্তুষ্ট হয়, উচিত গণ্য কৰা দৰে এটা আদেশৰ দ্বাৰা, প্ৰমাণ পত্ৰ ৰদ্ কৰিব পাৰে, যদিহে—

(ক) প্ৰমাণ পত্ৰৰ ধাৰকে পঞ্জীয়নৰ মঞ্জুৰকৰণৰ বা তাৰ নবীকৰণৰ বাবে আবেদনত থকা বা তাৰ সম্পৰ্কত এটা বিবৃতি দিছে, যিটো অশুদ্ধ বা মিছা ; বা

(খ) প্ৰমাণপত্ৰ ধাৰকে, প্ৰমাণপত্ৰৰ নিবন্ধন আৰু চৰ্তাৱলীৰ যিকোনো এটা বা তাৰ নবীকৰণৰ উলংঘন কৰিছে ; বা

(গ) কেন্দ্ৰীয় চৰকাৰৰ মতত, লোক স্বাৰ্থত প্ৰমাণ পত্ৰ ৰদ্ কৰাটো আৱশ্যকীয় ; বা

(ঘ) প্ৰমাম পত্ৰ ধাৰকে, এই অধিনিয়মৰ উপবন্ধাৱলীৰ যিকোনোটো বা ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলী বা আদেশ উলংঘন কৰিছে ; বা

(ঙ) যদিহে প্ৰমাণ পত্ৰৰ ধাৰকে ক্ৰমাগত ভাৱে দুবছৰৰ বাবে সমাজৰ হিতাৰ্থে ইয়াৰ নিৰ্বাচিত ক্ষেত্ৰখনত কোনো যুক্তিসংগত কাৰ্য্যকলাপত জড়িত হোৱা নাই বা নিস্ক্ৰয় হৈছে।

(২) এই ধাৰাৰ অধীনত প্ৰমাণ পত্ৰৰ ৰদ্‌কৰণৰ কোনো আদেশ দিয়া নহব যি পৰ্য্যপ্ত সংশ্লিষ্ট ব্যক্তিজনক, শুনানীৰ এটা যুক্তিসংগত সুযোগ দিয়া নহয় ;

(৩) এই ধাৰাৰ অধীনত প্ৰমাণপত্ৰ ৰদ্ কৰা কোনো ব্যক্তি, এনে প্ৰমাণ পত্ৰৰ ৰদ্‌কৰণলৰ তাৰিখৰ পৰা তিনিবছৰৰ এটা কালৰ বাবে পঞ্জীয়ন বা পূব অনুমতিৰ মঞ্জুৰকৰণৰ বাবে যোগ্য নহ'ব।

*প্ৰমাণপত্ৰৰ ৰদ্ হোৱাৰ ব্যক্তিৰ বিদেশী বৰঙণিৰ পৰিচালনা।*

১৫। (১) প্ৰত্যেক ব্যক্তিৰ অভিৰক্ষাত থকা বিদেশী বৰঙণিৰ পৰা সৃষ্টি হোৱা বিদেশী বৰঙণি আৰু পৰিসম্পত্তি, যাৰ প্ৰমাণ পত্ৰ ধাৰা ১৪ৰ অধীনত ৰদ্ হৈছে, বিহিত কৰা এনে প্ৰাধিকাৰীত ন্যস্ত হ'ব।

(২) উপধাৰা (১)ত নিৰ্দ্দেশিত প্ৰাধিকাৰীয়ে, যদি ই আৱশ্যকীয় বিবেচনা কৰে আৰু লোক স্বাৰ্থত কেন্দ্ৰীয় চৰকাৰে নিৰ্দেশ দিয়া দৰে এনে অৱধিৰ বাবে আৰু এনে ৰীতিত সেই

উপধাৰাত নিৰ্দ্দেশিত ব্যক্তিৰ কাৰ্যকলাপসমূহ পৰিচালনা কৰিব পাৰে আৰু এনে প্ৰাধিকাৰীয়ে বিদেশী বৰঙণি ব্যৱহাৰ কৰিব পাৰে বা ইয়াৰ পৰা উদ্ভৱ হোৱা পৰিসম্পত্তি বিক্ৰয় কৰিব পাৰে যদিহে, এনে কাৰ্য্যকলাপসমূহ চলাই থাকিবৰ বাবে পৰ্য্যাপ্ত নিধি সহজলভ্য নহয়।

(৩) উপধাৰা (১)ত নিৰ্দ্দেশিত প্ৰাধিকাৰীয়ে, সেই উপধাৰৰ অধীনত ইয়াৰ ওপৰত ন্যস্ত কৰা বিদেশী বৰঙণি আৰু পৰিসম্পত্তি, সেই উক্ত উপধাৰাত নিৰ্দ্দেশিত ব্যক্তিক ধৰাই দিব যদিহে এনে ব্যক্তি এই অধিনিয়মৰ অদীনত অনুৱৰ্তীভাৱে পঞ্জীকৃত হয়।

*প্ৰমাণপত্ৰ নবীকৰণ।* ১৬। (১) প্ৰত্যেক ব্যক্তি, যাক ধাৰা ১২ৰ অধীনত এখন প্ৰমাণপত্ৰ মঞ্জুৰ কৰা হৈছে, প্ৰমাণ পত্ৰৰ অৱসানৰ কালৰ পূৰ্বে ছয় মাহৰ ভিতৰত এনে প্ৰমাণপত্ৰৰ নবীকৰণ কৰিব।

(২) প্ৰমাণপত্ৰৰ নবীকৰণৰ আবেদন, বিহিত কৰাৰ দৰে এনে প্ৰপত্ৰত আৰু ৰীতিত আৰু এনে মাচুলসহ কেন্দ্ৰীয় চৰকাৰলৈ দিয়া হ'ব।

(৩) কেন্দ্ৰীয় চৰকাৰে, প্ৰমাণপত্ৰৰ নবীকৰণৰ বাবে কৰা আবেদনৰ প্ৰাপ্তিৰ তাৰিখৰ পৰা নব্বৈ দিনৰ ভিতৰত, এনে নিবন্ধন আৰু চৰ্তাৱলীৰ সাপেক্ষে, সাধাৰণভাৱে প্ৰমাণপত্ৰৰ নবীকৰণ কৰিব যেনেদৰে ই উচিত গণ্য কৰে আৰু নবীকৰণৰ এখন প্ৰমাণপত্ৰ, পাঁচ বছৰৰ এটা কালৰ বাবে মঞ্জুৰ কৰিব ঃ

পৰন্তু যদিহে, কেন্দ্ৰীয় চৰকাৰে নব্বৈ দিনৰ উক্ত কালৰ ভিতৰত প্ৰমাণপত্ৰৰ নবীকৰণ নকৰে, ই, আবেদনকাৰীলৈ তাৰ কাৰণসমূহ অৱগত কৰিব ঃ

উপৰন্তু কেন্দ্ৰীয় চৰকাৰে প্ৰমাণপত্ৰ নবীকৰণ কৰিবলৈ অস্বীকাৰ কৰিব পাৰে যদিহে য'ত এজন ব্যক্তিয়ে, এই অধিনিয়মৰ উপবন্ধাৱলীৰ যিকোনোটো বা তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ উলংঘন কৰিছে।

## অধ্যায়—৪

## হিচাপ, সূচনা, হিচাপ পৰীক্ষা আৰু পৰিসম্পত্তিৰ বিক্ৰয়, ইত্যাদি

*অনুসূচিত বেংকৰ জৰিয়তে বিদেশী বৰঙণিৰ প্ৰাপ্তি।* ১৭। (১) ধাৰা ১২ৰ অধীনত এখন প্ৰমাণপত্ৰ মঞ্জুৰ কৰা বা পূৰ্বে অনুমতি দিয়া প্ৰত্যেক ব্যক্তিয়ে প্ৰমামপত্ৰ মঞ্জুৰকৰণৰ বাবে তেওঁৰ আবেদনত তেওঁ বিনিৰ্দ্দিষ্ট কৰাৰ এটা বেংক ৰ শাখাসমূহৰ যিকোনো এটাৰ জৰিয়তে কেৱল মাত্ৰ এটা হিচাপ বহীত বিদেশী বৰঙণি প্ৰাপ্ত কৰিব ঃ

পৰন্তু এনে ব্যক্তিয়ে, তেওঁৰ দ্বাৰা প্ৰাপ্ত কৰা বিদেশী বৰঙণি ব্যৱহাৰৰ বাবে এক বা ততোধিক বেংকত এক বা ততোধিক হিচাপ বহী খুলিব পাৰে ঃ

উপৰন্তু বিদেশী বৰঙণিৰ ব্যতিৰেকে কোনো নিধি এনে হিচাপ বহী বা হিচাপ বহীসমূহত গ্ৰহণ কৰা বা জমা কৰা ন'হব।

(২) বিদেশী মুদ্ৰা বিনিময়ত প্ৰত্যেক বেংক বা প্ৰাধিকৃত ব্যক্তিয়ে নিম্নলিখিতসূহক, এনে প্ৰাধিকাৰীলৈ বিহিত কৰা এনে প্ৰ-পত্ৰ আৰু ৰীতিত বিনিৰ্দ্দিষ্ট কৰা দৰে প্ৰতিবেদন দিব।

(ক) অৰ্ন্তৰাজ্যীয় প্ৰেৰণৰ বিহিত ধন ৰাশি ;

(খ) অন্তৰাজ্যীয় প্ৰেৰণৰ প্ৰাপ্ত কৰা উৎস আৰু ৰীতি আৰু

(গ) আন সবিশেষ সমূহ।

*সূচনা*

১৮। (১) এই অধিনিয়মৰ অধীনত এখন প্ৰমাণপত্ৰ মঞ্জুৰ কৰা বা পূৰ্ব অনুমোদন দিয়া প্ৰত্যেক ব্যক্তিয়ে, বিহিত কৰা দৰে এনে সময়ৰ ভিতৰত আৰু এনে ৰীতিত, কেন্দ্ৰীয় চৰকাৰলৈ আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা এনে আন প্ৰাধিকাৰীলৈ, ইয়াৰ দ্বাৰা প্ৰাপ্ত প্ৰত্যেক বিদেশী ৰবৰঙণিৰ ধন ৰাশি, কি উৎসৰ পৰা আৰু কি ৰীতিত এনে বিদেশী বৰঙণি প্ৰাপ্ত কৰা হৈছিল আৰু কি প্ৰয়োজনৰ বাবে আৰু কি ৰীতিত এনে বিদেশী বৰঙণি তেওঁৰ দ্বাৰা ব্যৱহৃত হৈছিল সেই বিষয়ে সূচনা দিব।

(২) বিদেশী বৰঙণি প্ৰাপ্ত কৰা প্ৰত্যেক ব্যক্তিয়ে বিদেশী মুদ্ৰা বিনিময়ত বেঞ্জৰ পদাধিকাৰী বা প্ৰাধিকৃত ব্যক্তিৰ দ্বাৰা সম্যকৰূপে প্ৰমাণিত কৰা বিদেশী বৰঙণিৰ সবিশেষসমূহ তাত নিৰ্দ্দেশিত কৰি এটা বিৱৰণীত এটা প্ৰতিলিপি দাখিল কৰিব আৰু সেইবোৰক উপধাৰা (১)ৰ অধীনত সূচনাসহ কেন্দ্ৰীয় চৰকাৰলৈ সেইটো প্ৰেৰণ কৰিব।

*হিচাপ সংৰক্ষণ*

১৯। (১) এই অধিনিয়মৰ অধীনত এখন প্ৰমাণপত্ৰ মঞ্জুৰ কৰা বা পূৰ্বৰ অনুমোদন দিয়া প্ৰত্যেক ব্যক্তিয়ে, নিম্নলিখিত সমূহক বিহিত কৰা এনে ৰীত আৰু প্ৰ-পত্ৰত সংৰক্ষণ কৰিব।

(ক) তেওঁৰ দ্বাৰা প্ৰাপ্ত কোনো বিদেশী বৰঙণিৰ এটা হিচাপ ; আৰু

(খ) কি ৰীতিত এনে বৰঙণি তেওঁৰ দ্বাৰা ব্যৱহাৰ কৰা হৈছে, সেই বিষয়ে এটা অভিলেখ।

*হিচাপসমূহৰ হিচাপ পৰীক্ষা।*

২০। য'ত এখন প্ৰমাণপত্ৰ মঞ্জুৰ কৰা পূৰ্ব অনুমতি দিয়া কোনো ব্যক্তিয়ে যেতিয়া এই অধিনিয়মৰ অধীনত ইয়াৰ বাবে বিনিৰ্দ্দিষ্ট কৰা সময়ৰ ভিতৰত কোনো সূচনা দিবলৈ অসফল হয় বা এনেদৰে প্ৰদান কৰা সূচনা, বিধি অনুসৰি নহয় বা যদি, এনে সূচনাৰ পৰিদৰ্শনৰ পাছত, এই অধিনিয়মৰ, কোনো উপবন্ধ উলংঘন কৰা হৈছে বা হোৱা বুলি যদিহে কেন্দ্ৰীয় চৰকাৰৰ বিশ্বাস কৰাৰ কোনো যুক্তিসংগত কাৰণ থাকে, বা তাত কেন্দ্ৰীয় চৰকাৰে সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা, কেন্দ্ৰীয় চৰকাৰৰ অধীনত এটা ক বৰ্গৰ পদ ধাৰণ কৰা এনে ৰাজপত্ৰিত পদাধিকাৰীক বা আন কোনো পদাধিকাৰী বা প্ৰাধিকাৰী বা সংগঠনক, তেওঁ উচিত বুলি ভবা এনে ব্যক্তিৰ দ্বাৰা, ৰখা বা সংৰক্ষণ কৰা কোনো হিচাপ বহীৰ হিচাপ পৰীক্ষা কৰিবলৈ প্ৰাধিকৃত কৰিব পাৰে আৰু তাৰ ওপৰত এনে প্ৰত্যেক পদাধিকাৰীৰ উক্ত হিচাপৰ বহীৰ হিচাপ পৰীক্ষাৰ প্ৰয়োজনাৰ্থে সূৰ্য্যাস্তৰ পূৰ্বে আৰু সুৰ্য্যোদয়ৰ পাচত কোনো যুক্তিসংগত সময়ত কোনো আবাসত বা আবাসৰ ওপৰত প্ৰবিষ্টি কৰাৰ অধিকাৰ থাকিব ঃ

পৰন্তু এনে হিচাপ পৰীক্ষাৰ পৰা প্ৰাপ্ত কোনো তথ্য গোপনে ৰখা হ'ব আৰু এই অধিনিয়মৰ প্ৰয়োজনৰ ব্যতিৰেকে প্ৰকাশ কৰা নহব।

*নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ দ্বাৰা দিয়া সূচনা।*

২১। নিৰ্বাচনৰ বাবে উঠা প্ৰত্যেক প্ৰাৰ্থী, যিজনে এনে প্ৰাৰ্থীৰূপে সম্যক ৰূপে মনোনীত হোৱা ঠিক পূৰ্ববৰ্তী তাৰিখৰ এশ আশীদিনৰ ভিতৰত যিকোনো সময়ত বিহিত কৰা দৰে এনে সময়ৰ ভিতৰত আৰু এনে ৰীতিত, কেন্দ্ৰীয় চৰকাৰক বা বিহিত প্ৰাধিকাৰীক বা উভয়ক, তেওঁৰ দ্বাৰা প্ৰাপ্ত কৰা বিদেশী বৰঙণিৰ পৰিমান কি উৎসৰ পৰা আৰু কি ৰীতিত এনে বিদেশী বৰঙণি প্ৰাপ্ত কৰা হৈছিল আৰু কি প্ৰয়োজনৰ বাবে আৰু কি ৰীতিত এনে বিদেশী বৰঙণি তেওঁৰ দ্বাৰা

ব্যৱহাৰ কৰা হৈছিল, সেই বিষয়ে সূচনা দিব।

*বিদেশী বৰঙণিৰ পৰা সৃষ্টি হোৱা পৰিসম্পত্তিৰ বিক্ৰয়।*

২২। এই অধিনিয়মৰ অধীনত বিদেশী বৰঙণি গ্ৰহণ কৰিবলৈ অনুমতি প্ৰাপ্ত কোনো ব্যক্তিৰ যেতিয়া অস্তিত্ব নেথাকে বা নিষ্কিয় হয়, এনে ব্যক্তিৰ সকলো পৰিসম্পত্তি, সম্প্ৰতি বলবৎ কোনো বিধিত সন্নিবিষ্ট উপবন্ধাৱলীৰ অনুসৰণত বিক্ৰয় কৰা হ'ব যাৰ অধীনত ব্যক্তিজন পঞ্জীকৃত বা নিগমিত হৈছিল আৰু এনে কোনো বিধিৰ অভাৱত কেন্দ্ৰীয় চৰকাৰে এই অধিনিয়মৰ অধীনত প্ৰাপ্ত বিদেশী বৰঙণিৰ পঁৰা সৃষ্টি হোৱা পৰিসম্পত্তিৰ চৰিত্ৰৰ ওপৰত লক্ষ্য ৰাখি সকলো পৰিসম্পত্তি অধিসূচনাৰ দ্বাৰা বিহিত কৰা দৰে এনে ৰীতি আৰু প্ৰক্ৰিয়াত ই বিনিৰ্দ্দিষ্ট কৰা দৰে এনে প্ৰাধিকাৰীৰ দ্বাৰা বিক্ৰয় কৰা হ'ব।

## অধ্যায়—৫

## পৰিদৰ্শন, অন্বেষণ আৰু অভিগ্ৰহণ

*হিচাপ বা নথিৰ পৰিদৰ্শন।*

২৩। যদি, কেন্দ্ৰীয় চৰকাৰৰ, লিখিতভাৱে অভিলিখিত কৰিবলগীয়া কোনো কাৰণৰ বাবে, এই অধিনিয়মৰ কোনো উপবন্ধ

(ক) কোনো ৰাজনৈতিক দল ; বা

(খ) কোনো ব্যক্তি ; বা

(গ) কোনো সংগঠন ; বা

(ঘ) কোনো সন্থা ; ৰ

দ্বাৰা উলঙঘন কৰা হৈছে বা হোৱা বুলি সন্দেহ কৰাৰ কোনো ভিত্তি থাকে, তেন্তে ই, সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা, কেন্দ্ৰীয় চৰকাৰৰ অধীনত এটা ক বৰ্গৰ পদ ধাৰণ কৰা এনে ৰাজপত্ৰিত বিষয়া বা এনে আন পদাধিকাৰী বা প্ৰাধিকাৰী বা সংগঠনক, ই উচিত ভবা দৰে (ইয়াত ইয়াৰ পাছত পৰিদৰ্শন পদাধিকাৰী ৰূপে নিৰ্দ্দেশিত) এনে ৰাজনৈতিক দল, ব্যক্তি, সংগঠন বা যথাস্থিতি সন্থাৰ দ্বাৰা সংৰক্ষন কৰা কোনো হিচাপ বা অভিলেখ পৰিদৰ্শন কৰিবলৈ প্ৰাধিকৃত কৰিব পাৰে আৰু তাৰ ওপৰত এনে প্ৰত্যেক পৰিদৰ্শন পদাধিকাৰীৰ উক্ত হিচাপ বা অভিলেখৰ পৰিদৰ্শনৰ প্ৰয়োজনাৰ্থে সূৰ্য্যাস্তৰ পূৰ্বে আৰু সূৰ্যোদয়ৰ পাছত যিকোনো যুক্তিসংগত সময়ত কোনো আবাসত বা আবাসৰ ওপৰত প্ৰবিষ্ট কৰাৰ অধিকাৰ থাকিব।

*হিচাপ বা অভিলেখৰ অভিগ্ৰহণ।*

২৪। যদিহে, ধাৰা ২৩ ত নিৰ্দ্দেশিত হিচাপ বা অভিলেখৰ পৰিদৰ্শনৰ পাছত, পৰিদৰ্শন পদাধিকাৰীৰ বিশ্বাস কৰাৰ কোনো যুক্তিসঙ্গত কাৰণ থাকে যে বিদেশী মুদ্ৰা বিনিয়মৰ সম্পৰ্কত এই অধিনিয়মৰ বা আন কোনো বিধিৰ কোনো উপবন্ধৰ উলংঘন হৈছে বা হৈ আছে, তেওঁ এনে হিচাপ বা অভিলেখ অভিগ্ৰহণ কৰিব পাৰে আৰু সেইবোৰক ন্যায়ালয় প্ৰাধিকাৰী বা ন্যায়াধিকৰণত উপস্থাপন কৰিব পাৰে য'ত এনে উলংঘনৰ বাবে কোনো কাৰ্য্যবাহী চলোৱা হয় ঃ

পৰন্তু প্ৰাধিকৃত পদাধিকাৰীয়ে, ব্যক্তিজনলৈ এনে হিচাপ বা অভিলেখ ঘুৰাই দিব যাৰ পৰা ইয়াক অভিগ্ৰহণ কৰা হৈছিল যদিহে এনে হিচাপ বা অভিলেখৰ দ্বাৰা প্ৰকাশ কৰা উলংঘনৰ বাবে এনে অভিগ্ৰহণৰ তাৰিখৰ পৰা ছয় মাহৰ ভিতৰত কোনো কাৰ্য্যবাহী চলোৱা নহয়।

*অধিনিয়মৰ উলংঘনত প্ৰাপ্ত সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতিৰ অভিগ্ৰহণ।*

২৫। কেন্দ্ৰীয় চৰকাৰে সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা এই মৰ্মে প্ৰাধিকৃত কৰা কোনো ৰাজপত্ৰিত বিষয়াৰ যদিহে বিশ্বাস কৰাৰ কাৰণ থাকে যে ধাৰা ২ৰ উপধাৰা (১)ৰ খণ্ড (জ)ৰ উপখণ্ড (i) ত বিনিৰ্দ্দিষ্ট মূল্যৰ অধিক কোনো সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতি, ভাৰতৰেই হওঁক বা বিদেশীৰেই হওঁক তেওঁৰ অধিকাৰ বা নিয়ন্ত্ৰণত থাকে, যাৰ সম্পৰ্কত এই অধিনিয়ৰ কোনো উপবন্ধ উলংঘন কৰা হৈছে বা হৈ আছে, তেওঁ এনে সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতি অভিগ্ৰহণ কৰিব পাৰে।

*অভিগৃহীত সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতিৰ বিক্ৰয়।*

২৬। (১) কেন্দ্ৰীয় চৰকাৰে, সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতি, চুৰি কাৰ্য্যলৈ তেওঁলোকৰ ভেদ্যতা বা কোনো সুসঙ্গত বিবেচনাক লক্ষ্য ৰাখি অধিসূচনাৰ দ্বাৰা, এনে সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতি বিনিৰ্দ্দিষ্ট কৰিব পাৰে যিটো সেইবোৰৰ অভিগ্ৰহণৰ পাছত যথাশীঘ্ৰে এনে পদাকাৰীৰ দ্বাৰা আৰু এনে ৰীতিত বিক্ৰী কৰা হ'ব যেনেদৰে কেন্দ্ৰীয় চৰকাৰে, সময়ে সময়ে, ইয়াত ইয়াৰ পাছত বিনিৰ্দ্দিষ্ট পদ্ধতি অনুসৰণ কৰাৰ নিৰ্দ্ধাৰণ কৰে।

(২) অভিগৃহীত সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতি, বিনিৰ্দিষ্ট কৰাৰ এনে পদাধিকাৰীলৈ, অনাৱশ্যকীয় বিলম্ব বিনা প্ৰেৰণ কৰা হ'ব।

(৩) য'ত কোনো সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতি অভিগ্ৰহণ কৰা হয় আৰু এনে পদাধিকাৰীলৈ প্ৰেৰণ কৰা হয়, উপধাৰা (১)ত নিৰ্দ্দেশিত পদাধিকাৰীয়ে, সেইবোৰৰ বিৱৰণ, মূল্য বা এনে অন্য চিনাক্তকৰণ সবিশেষসমূহৰ সম্পৰ্কত এন সবিশেষৰ সন্নিবিষ্ট এনে সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতিৰ এখন তালিকা প্ৰস্তুত কৰিব যেনেদৰে সেই উপধাৰাত নিৰ্দ্দেশিত পদাধিকাৰীয়ে, সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতি চিনাক্তকৰণলৈ সু-সঙ্গত বুলি বিবেচনা কৰে আৰু এনেদৰে প্ৰস্তুত কৰা তালিকাৰ শুদ্ধতা প্ৰমাণিত কৰাৰ প্ৰয়োজনাৰ্থে কোনো দণ্ডাধীশলৈ এখন আবেদন কৰিব পাৰে।

(৪) য'ত উপধাৰা (২)ৰ অধীনত এখন আবেদন কৰা হয়, দণ্ডাধীশে, যথাশীঘ্ৰে আবেদনখন মঞ্জুৰ কৰিব।

*১৮৭২ ৰ ১*
*১৯৭৪ ৰ ২*

(৫) ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৮৭২ বা দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ ত কোনো কথা থকা সত্বেও, এই অধিনিয়মৰ অধীনত এটা অপৰাধ বিচাৰ কৰা প্ৰত্যেক ন্যায়ালয়ে, দণ্ডাধীশৰ দ্বাৰা প্ৰমাণ কৰা তালিকাখনক এনে অপৰাধৰ সম্বন্ধত মূখ্য সাক্ষ্যৰূপে বিবেচনা কৰিব।

(৬) উপধাৰা (৩)ৰ অধীনত কাৰ্য্য কৰা প্ৰত্যেক পদাধিকাৰীয়ে শীঘ্ৰে ধাৰা ২৯ৰ অধীনত বাজেয়াপ্তকৰণৰ ন্যায়নিৰ্ণয়ৰ বাবে অধিকাৰিতা থকা চেচ্‌ন ন্যায়ালয় বা সহকাৰী চেচ্‌ন ন্যায়াধীশলৈ অভিগ্ৰহণৰ প্ৰতিবেদন দিব।

*১৯৭৪ ৰ অধিনিয়ম সংখ্যা ২ৰ অনুসৰণত কৰিবলগীয়া অভিগ্ৰহণ।*

২৭। দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ উপবন্ধাৱলী, সেইবোৰ য'তদূৰ এই অধিনিয়মৰ উপবন্ধাৱলীৰ অসঙ্গত নহয়, এই অধিনিয়মৰ অধীনত কৰা সকলো অভিগ্ৰহণলৈ প্ৰযোজ্য হ'ব।

## অধ্যায়—৬

## ন্যায়নির্ণয়

*এই অধিনিয়মৰ উলংঘনত প্ৰাপ্ত সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতিৰ বাজেয়াপ্তকৰণ।*

২৮। ধাৰা ২৫ৰ অধীনত অভিগৃহীত কোনো সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতি বাজেয়াপ্তকৰণলৈ দায়ী হ'ব যদিহে এনে সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতিক ধাৰা ২৯ৰ অধীনত, এই অধিনিয়মৰ উলংঘনত গ্ৰহণ বা প্ৰাপ্ত কৰিবলৈ ন্যায়নিৰ্ণীয়ত কৰা হয়।

*বাজেয়াপ্তকৰণৰ ন্যায়নির্ণয়।*

২৯। (১) ধাৰা ২৮ত নির্দ্দেশিত কোনো বাজেয়াপ্তকৰণক —

(ক) চেচ্‌ন ন্যায়ালয়ৰ দ্বাৰা, সীমাৰ অবিহনে ন্যায়নিৰ্ণীত কৰা হয়, যাৰ অধিকাৰিতাৰ স্থানীয় পৰিসীমাৰ ভিতৰত অভিগ্ৰহণ কৰা হৈছিল ; আৰু

(খ) এজন সহকাৰী চেচ্‌ন ন্যায়াধীশৰ নিম্ন পদবীৰ নোহোৱা এনে পদাধিকাৰীৰ দ্বাৰা বিহিত কৰা দৰে এনে পৰিসীমাৰ সাপেক্ষে, ন্যায়নিৰ্ণীত কৰা হয় যেনেদৰে কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই মৰ্মে বিনিৰ্দ্দিষ্ট কৰে।

(২) যেতিয়া উপধাৰা (১)ৰ অধীনত এটা ন্যায়নির্ণয়, চেচ্‌ন ন্যায়ালয় বা যথাস্থিতি সহকাৰী চেচ্‌ন ন্যায়াধীশৰ দ্বাৰা চুড়ান্ত কৰা হয়, চেচ্‌ন ন্যায়াধীশ বা সহকাৰী চেচ্‌ন ন্যায়াধীশে, অভিগৃহীত সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতিৰ বাজেয়াপ্তকৰণ বা যথাস্থিতি পৰিদানৰ দ্বাৰা তাৰ অধিকাৰলৈ হক্‌দাৰ হবলৈ দাবী কৰা কোনো ব্যক্তিলৈ বা অন্যথা বা যিটো এই অধিনিয়মৰ অধীনত কোনো অপৰাধাৰ সংঘটনৰ বাবে ব্যৱহাৰ কৰা হৈছে, তাৰ নিস্পত্তিৰ বাবে তেওঁ উচিত বুলি ভবা দৰে এনে আদেশ কৰিব পাৰে।

*বাজেয়াপ্তকৰণৰ প্ৰক্ৰিয়া।*

৩০। বাজেয়াপ্তকৰণৰ ন্যায়নির্ণয়ৰ কোনো আদেশ কৰা নহ'ব যি পৰ্য্যন্ত, সেই ব্যক্তিজনক এনে বাজেয়াপ্তকৰণৰ বিপক্ষে এটা আবেদন কৰাৰ এটা যুক্তিসঙ্গত সুযোগ দিয়া নহয় যাৰ পৰা কোনো সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতি অভিগ্ৰহণ কৰা হৈছে।

## অধ্যায়—৭

## আপীল আৰু পুনৰীক্ষণ

*আপীল*

৩১। (১) ধাৰা ২৯ৰ অধীনত দিয়া কোনো আদেশৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তিয়ে এনে ব্যক্তিলৈ আদেশৰ সূচনাৰ তাৰিখৰ পৰা এমাহৰ ভিতৰত, এটা আপীল কৰিব পাৰে—

(ক) য'ত চেচ্‌ন ন্যায়ালয়ৰ দ্বাৰা উচ্চ ন্যায়ালয়লৈ আদেশটো দিয়া হৈছে, যলৈ এনে ন্যায়ালয় অধীনস্থ হয় ; বা

(খ) য'ত ধাৰা ২৯ৰ উপধাৰা (১)ৰ খণ্ড (খ)ৰ অধীনত বিনিৰ্দ্দিষ্ট কোনো পদাধিকাৰীৰ দ্বাৰা চেচ্‌ন ন্যায়ালয়লৈ এটা আদেশ দিয়া হয়, যাৰ অধিকাৰিতাৰ স্থানীয় পৰিসীমাৰ ভিতৰত বাজেয়াপ্তকৰণৰ ন্যায়নির্ণয়ৰ এনে আদেশ কৰা হৈছিল ঃ

পৰন্তু আপীল ন্যায়ালয়ে, যদি ই সন্তুষ্ট হয় যে, আবেদনকাৰীক পৰ্য্যাপ্ত কাৰণৰ দ্বাৰা উক্ত এমাহ কালৰ ভিতৰত আপীল কৰাৰ পৰা প্ৰতিষেধ কৰা হৈছিল, এমাহৰ এটা

অতিৰিক্ত কালৰ ভিতৰত এনে আপীল কৰিবলৈ অনুমতি দিব পাৰে কিন্তু তাৰ পাছত নহয়।

(২) ধাৰা ৩ৰ উপধাৰা (১)ৰ খণ্ড (চ)ত নিৰ্দ্দেশিত কোনো সংগঠন বা ধাৰা ৬বা ধাৰা ৯ত নিৰ্দ্দেশিত কোনো ব্যক্তি বা সন্থাক ধাৰা ৫ৰ অনুসৰণত কৰা এটা আদেশৰ দ্বাৰা বা এই অধিনিয়মৰ অধীনত অনুমতি দিবলৈ অস্বীকাৰ কৰা কেন্দ্ৰীয় চৰকাৰৰ এটা আদেশৰ দ্বাৰা বা ধাৰা ১২ৰ উপধাৰা (২) বা উপধাৰা (৪) বা যথাস্থিতি ধাৰা ১৪ৰ উপধাৰা (১)ৰ দ্বাৰা ক্ষোভিত হোৱা ধাৰা ৩ৰ উপধাৰা (১)ৰ খণ্ড (চ)ত নিৰ্দ্দেশিত কোনো সংগঠন বা ধাৰা ৬ বা ধাৰা ৯ত নিৰ্দ্দেশিত কোনো ব্যক্তি বা সন্থাই এনে আদেশৰ তাৰিখৰ পৰা ষাঠি দিনৰ ভিতৰত, উচ্চ ন্যায়ালয়লৈ এনে আদেশৰ বিপক্ষে এটা আপীল কৰিব পাৰে যাৰ অধিকাৰিতাৰ স্থানীয় পৰিসীমাৰ ভিতৰত আবেদনকাৰীয়ে সাধাৰণতে বাস কৰে বা ব্যৱসায় কৰে বা ব্যক্তিগতভাৱে লাভৰ বাবে কাৰ্য্য কৰে বা য'ত আবেদনকাৰী, এটা সংগঠন বা সন্থা হয়, এনে সংগঠন বা সন্থাৰ মুখ্য কাৰ্য্যালয় অৱস্থিত হয়।

*১৯০৮ ৰ ৫*

(৩) এই ধাৰাৰ অধীনত কৰা প্ৰত্যেক আপীলক মূল ডিক্ৰীৰ এটা আপীল বুলি গণ্য কৰা হ'ব আৰু চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ প্ৰথম অনুসূচীৰ আদেশ (৪১)ৰ উপবন্ধাৱলী যিমানদূৰ পৰা যায়, তালৈ প্ৰযোজ্য হ'ব, যেনেদৰে সেইবোৰ, এটা মূল ডিক্ৰীৰ এটা আপীললৈ প্ৰযোজ্য হয়।

*কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আদেশ সমূহৰ পুনৰীক্ষণ।*

৩২। (১) কেন্দ্ৰীয় চৰকাৰে, ইয়াৰ স্ব-প্ৰেৰণাৰে বা পুনৰীক্ষণৰ বাবে এখন আবেদনৰ ওপৰত এই অধিনিয়মৰ অধীনত পঞ্জীকৃত ব্যক্তিৰ দ্বাৰা, এই ধিনিয়মৰ অধীনত কোনো কাৰ্য্যবাহীৰ অভিলেখ বিচাৰিব আৰু পৰীক্ষা কৰিব পাৰে, য'ত ইয়াৰ দ্বাৰা এনে কোনো আদেশ পাৰিত কৰা হৈছে আৰু এনে অনুসন্ধান কৰিব পাৰে বা এনে অনুসন্ধান কাৰিত পাৰে আৰু এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে, তাৰ ওপৰত এনে আদেশ পাৰিত কৰিব পাৰে যেনেদৰে ই উচিত বুলি ভাবে।

(২) কেন্দ্ৰীয় চৰকাৰে এই ধাৰাৰ অধীনত ইয়াৰ স্ব-প্ৰেৰণাৰে কোনো আদেশ পুনৰীক্ষণ নকৰিব যদি আদেশটো, পূৰ্বতে এবছৰৰ অধিক কালত কৰা হৈছে।

(৩) উপধাৰা (১)ত নিৰ্দ্দেশিত ব্যক্তিৰ দ্বাৰা এই ধাৰাৰ অধীনত পুনৰীক্ষনৰ বাবে এখন আবেদনৰ ক্ষেত্ৰত, আবেদনখন, প্ৰশ্নগত আদেশ তেওঁক অৱগত কৰা তাৰিখৰ পৰা এবছৰৰ ভিতৰত বা অন্যথা তেওঁ ইয়াৰ বিষয়ে জ্ঞাত হোৱা তাৰিখত কৰিব লাগিব, যিটোয়ে আগত হয় ঃ

পৰন্তু কেন্দ্ৰীয় চৰকাৰে, যদি ই সন্তুষ্ট হয় যে এনে ব্যক্তিক সেই কালৰ ভিতৰত আবেদন কৰাৰ পৰা পৰ্য্যাপ্ত কালৰ দ্বাৰা নিষেধ কৰা হৈছিল, সেই কালৰ অবসানৰ পাছত কৰা আবেদন গ্ৰহণ কৰিব পাৰে।

(৪) কেন্দ্ৰীয় চৰকাৰে, কোনো আদেশ পুনৰীক্ষণ নকৰিব য'ত আদেশৰ বিপক্ষে আপীল হয় কিন্তু কৰা হোৱা নাই আৰু যি সময়ৰ ভিতৰত এনে আপীল কৰিব পৰা যায় সেই সময়ৰ অবসান হোৱা নাই বা এনে ব্যক্তিয়ে তেওঁৰ আপীলৰ অধিকাৰ অধিত্যাগ কৰা নাই বা এই অধিনিয়মৰ অধীনত এটা আপীল দাখিল কৰা হৈছে।

(৫) এই ধাৰাৰ অধীনত পুনৰীক্ষণৰ বাবে এনে ব্যক্তিৰ দ্বাৰা কৰা প্ৰত্যেক আবেদন বিহিত কৰা দৰে এনে মাচুলসহ দিয়া হ'ব।

স্পষ্টীকৰণ— এই ধাৰাৰ প্ৰয়োজনাৰ্থে কেন্দ্ৰীয় চৰকাৰৰ হস্তক্ষেপ অস্বীকাৰ কৰা এটা আদেশক এনে ব্যক্তিলৈ প্ৰতিকূল প্ৰভাৱ নেপেলোৱা এটা আদেশ হিচাবে গণ্য কৰা নহ'ব।

## অধ্যায়—৮

## অপৰাধ আৰু দণ্ড

*মিথ্যা বিবৃতি ঘোষণা দিয়া বা মিথ্যা হিচাপ দিয়া।*

৩৩। এই অধিনিয়মৰ সাপেক্ষে কোনো ব্যক্তি, যিজনে জানি শুনিওঁ—

(ক) ধাৰা ৯ৰ উপধাৰা (গ) বা ধাৰা ১৮ৰ অধীনত মিথ্যা সূচনা দিয়ে ; বা

(খ) প্ৰবঞ্চনা, মিথ্যা নিবেদন বা বাস্তৱিক ঘটনাৰ গোপনকৰণৰ দ্বাৰা পূৰ্ব অনুমতি বা পঞ্জীয়ন বিচাৰে, তেওঁ এখন ন্যায়ালয়ৰ দ্বাৰা দোষীসাব্যস্ত হোৱাত ছমাহলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা জৰিমনাসহ বা উভয়ৰ বাবে দায়ী হ'ব।

*ধাৰা ১০ৰ উলংঘনত প্ৰাপ্ত সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতিৰ বাবে দণ্ড।*

*১৯৪৭ ৰ ২*

৩৪। ধাৰা ১০ৰ অধীনত কোনো নিযেধাজ্ঞা জাৰী কৰা কোনো ব্যক্তিয়ে যদিহে এনে নিষেধ আজ্ঞাৰ উলংঘনত কোনো সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতি ভাৰতৰেই হওঁক বা বিদেশৰেই হওঁক বা কোনো ৰীতিত আদায় দিয়ে, পৰিধান কৰে, অন্তৰণ কৰে বা অন্যথা সংব্যৱহাৰ কৰে, তেওঁ, কাৰাবাসেৰে এটা অৱধিৰ বাবে দণ্ডনীয় হ'ব যিটো তিনি বছৰ পৰ্য্যন্ত বিস্তৃত হ'ব পাৰে বা জৰিমনা সহ, উভয়েৰে দণ্ডিত হ'ব, আৰু দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ত কোনো কথা থকা সত্বেও, এনে উলংঘনৰ বিচাৰ কৰা ন্যায়ালয়ে, দোষীসাব্যস্ত ব্যক্তিজনৰ ওপৰত সামগ্ৰীৰ বজাৰ মূল্যৰ সমান এটা অতিৰিক্ত জৰিমনা বা প্ৰচলিত মুদ্ৰাৰ প্ৰতিভূতিৰ পৰিমাণ আৰোপন কৰিব পাৰে যাৰ সম্বন্ধত নিযেধ আজ্ঞা বা ইয়াৰ কোনো ভাগ তেওঁৰ দ্বাৰা উলংঘন কৰা হৈছে যেনেদৰে ন্যায়ালয়ে উচিত গণ্য কৰে।

*অধিনিয়মৰ কোনো উপবন্ধৰ উলংঘনৰ বাবে দণ্ড।*

৩৫। যিয়েই, এই অধিনিয়মৰ কোনো উপবন্ধ বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়ম বা আদেশৰ উলংঘনত এটা বিদেশী উৎসৰ পৰা কোনো বিদেশী বৰঙণি বা কোনো প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতি গ্ৰহণ কৰোতে কোনো ব্যক্তি, ৰাজনৈতিক দল বা সংগঠক গ্ৰহণ কৰে বা সহায়তা কৰে, তেওঁ পাঁচ বছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হ'ব।

*অতিৰিক্ত জৰিমনা আৰোপ কৰিবলৈ ক্ষমতা য'ত সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতি বাজেয়াপ্তকৰণৰ বাবে সহজলভ্য নহয়।*

৩৬। দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ ত কোনো কথা থকা সত্বেও, এজন ব্যক্তিক বিচাৰ কৰা ন্যায়ালয়ে, যিজনে কোনো সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতিৰ সম্পৰ্কত ভাৰতৰেই হওঁক বা বিদেশৰেই হওঁক কোনো কাৰ্য্য কৰে বা কৰিবলৈ ক্ৰুটী কৰে, যি কাৰ্য্য বা ক্ৰুটীয়ে, এনে সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতিক, এই ধিনিয়মৰ অধীনত বাজেয়াপ্তকৰণলৈ দায়ী কৰিব, পূৰ্বোক্ত কাৰ্য্য বা ক্ৰুটীৰ বাবে এনে ব্যক্তিৰ দোষীসাব্যস্তকৰণ ক্ষেত্ৰত, এনে ব্যক্তিৰ ওপৰত, সামগ্ৰী ব প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতিৰ মুল্যৰ পাচ গুণৰ অনধিক বা এহেজাৰ টকাৰ, যিটো অধিক হয়, আৰোপ কৰিব পাৰে যদি এনে সামগ্ৰী বা প্ৰচলিত মুদ্ৰা বা প্ৰতিভূতি বাজেয়াপ্তকৰণৰ বাবে সহজলভ্য

১৯৭৪ ৰ ২ — নহয় আৰু এনেদৰে আৰোপিত জৰিমনা, কোনো আন জৰিমনাৰ অতিৰিক্ত হ'ব যাক এই অধিনিয়মৰ অধীনত এনে ব্যক্তিৰ ওপৰত আৰোপিত কৰিব পাৰে।

*অপৰাধৰ বাবে দণ্ড য'ত কোনো পৃথক শাস্তি উপবন্ধিত কৰা হোৱা নাই।*

৩৭। যিয়েই, এই অধিনিয়মৰ কোনো উপবন্ধ পালন কৰিবলৈ অসফল হয় যাৰ বাবে কোনো পৃথক দণ্ড এই অধিনিয়মত উপবন্ধিত কৰা হোৱা নাই, তেওঁ এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হ'ব।

*বিদেশী বৰঙণি গ্ৰহণৰ প্ৰতিষেধ।*

৩৮। এই অধিনিয়মত কোনো কথা থকা সত্বেও, যিয়েই ধাৰা ৩৫ বা ধাৰা ৩৭ৰ অধীনত কোনো অপৰাধত দোষীসাব্যস্ত হোৱাত, য'ত দূৰ এনে অপৰাধ বিদেশী বৰঙণিৰ গ্ৰহণ বা ব্যৱহাৰলৈ সম্পৰ্কিত হোৱাত পুনৰ এনে অপৰাধত দোষী সাব্যস্ত হয়, পৰৱৰ্তী দোষীসাব্যস্তকৰণৰ তাৰিখৰ পৰা পাঁচ বছৰৰ এটা অৱধিৰ বাবে কোনো বিদেশী বৰঙণি গ্ৰহণ নকৰিব।

*কোম্পানীৰ দ্বাৰা কৰা অপৰাধ।*

৩৯। (১) য'ত এই অধিনিয়ম বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়ম বা আদেশৰ অধীনত এটা অপৰাধ, এটা কোম্পানীৰ দ্বাৰা সংঘটিত কৰা হয়, অপৰাধটো সংঘটিত হোৱাৰ সময়ত কোম্পানীৰ দৰে কোম্পানীৰ ব্যৱসায় চলাবৰ বাবে কোম্পানীৰ ভাৰপ্ৰাপ্ত আৰু দায়িত্ব থকা কোনো ব্যক্তিক, অপৰাধত দোষী বুলি গণ্য কৰা হ'ব আৰু তাৰ বিপক্ষে কাৰ্য্যবাহী কৰিবলৈ দায়ী হ'ব আৰু তদনুসাৰে দণ্ডিত হ'ব ঃ

পৰন্তু এই উপধাৰাত থকা কোনো কথাই, এনে ব্যক্তিক কোনো দণ্ডলৈ দায়ী নকৰিব যদিহে অপৰাধটো, তেওঁৰ জ্ঞান বিনা সংঘটিত হৈছিল বুলি বা তেওঁ এনে অপৰাধৰ সংঘটনক প্ৰতিষেধ কৰিবলৈ সকলো সম্যক তৎপৰতা প্ৰয়োগ কৰিছিল বুলি তেওঁ প্ৰমাণ কৰে।

(২) উপধাৰা (১)ত কোনো কথা থকা সত্বেও, য'ত এই অধিনিয়মৰ বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়ম বা আদেশৰ অধীনত এটা অপৰাধ এটা কোম্পানীৰ দ্বাৰা সংঘটিত কৰা হয় আৰু অপৰাধটো কোনো সঞ্চালক, পৰিচালক, সচিব বা আন পদাধিকাৰীৰ সন্মতি বা মৌন সন্মতিত সংঘটিত কৰা হয় বুলি বা ইয়াৰ কোনো ভাগত কোনো অবহেলাৰ বাবে আৰোপনীয় হয় বুলি ই প্ৰমাণিত হয়, তেন্তে এনে সঞ্চালক, পৰিচালক, সচিব বা আন পদাধিকাৰীকো সেই অপৰাধত দোষী বুলি গণ্য কৰা হ'ব আৰু তাৰ বিপক্ষে কাৰ্য্যবাহীলৈ দায়ী হ'ব আৰু তদনুসাৰে দণ্ডিত হ'ব।

স্পষ্টীকৰণ—এই ধাৰাৰ প্ৰয়োজনাৰ্থে,—

(ক) "কোম্পানী" মানে কোনো নিগমিত নিকায় আৰু ই এখন ফাৰ্ম, সমিতি, ব্যৱসায় সংঘ বা ব্যক্তিসকলৰ আন সন্থাক অন্তৰ্ভূক্ত কৰে ; আৰু

(খ) "এখন ফাৰ্ম, সমিতি, ব্যৱসায় সংঘ বা ব্যক্তিসকলৰ আন সন্থাৰ সম্পৰ্কত "সঞ্চালক" মানে ফাৰ্মৰ এজন ভাগীদাৰ বা এনে সমিতি, ব্যৱসায় সংঘ বা ব্যক্তিসকলৰ আন সন্থাৰ শাসকীয় নিকায়ৰ এজন সদস্য।

*এই অধিনিয়মৰ অধীনত অপৰাধসমূহৰ অভিযোজনৰ ওপৰত বাধা দিয়া।*

৪০। কোনো ন্যায়ালয়ে, কেন্দ্ৰীয় চৰকাৰৰ বা এই মৰ্মে সেই চৰকাৰৰ দ্বাৰা প্ৰাধিকৃত কোনো পদাধিকাৰীৰ পূৰ্ব সংমোদন সহ ব্যতিৰেকে, এই অধিনিয়মৰ অধীনত কোনো অপৰাধৰ সংজ্ঞান নলব।

*কিছুমান অপৰাধৰ আপোচ।*

*১৯৭৪ ৰ ২*

৪১। দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ত কোনো কথা থকা সত্বেও কেৱল কাৰাবাসেৰে দণ্ডনীয় এটা অপৰাধ নোহোৱা এই অধিনিয়মৰ অধীনত দণ্ডনীয় কোনো অপৰাধৰ, (এজন ব্যক্তি বা সংস্থা বা কোনো পদাধিকাৰী বা তাৰ কৰ্মচাৰীৰ দ্বাৰা সংঘটিত হঁওক বা নহওঁক) কোনো অভিযোজন সংস্থিত কৰাৰ পূৰ্বে, এনে পদাধিকাৰী বা প্ৰাধিকাৰীৰ দ্বাৰা আপোচ কৰা হ'ব আৰু কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত, অধিসূচনাৰ দ্বাৰা এই মৰ্মে এনে ধনৰাশিৰ বাবে বিনিৰ্দ্দিষ্ট কৰিব পাৰে।

(২) উপধাৰা (১)ৰ কোনো কথাই, ইয়াৰ বা তেওঁৰ দ্বাৰা সংঘটিত এটা সদৃশ অপৰাধ, এই ধাৰাৰ অধীনত আপোচ কৰা তাৰিখৰ পৰা তিনি বছৰৰ এটা অৱধিৰ ভিতৰত এজন ব্যক্তি; বা সন্থা বা ইয়াৰ পদাধিকাৰী বা আন কৰ্মচাৰীবৃন্দৰ দ্বাৰা সংঘটিত এটা অপৰাধলৈ প্ৰযোজ্য নহব।

স্পষ্টীকৰণ— এই ধাৰাৰ প্ৰয়োজনাৰ্থে যি তাৰিখত অপৰাধটো পূৰ্বতে আপোচ কৰা হৈছিল সেই তাৰিখৰ পৰা তিনি বছৰ এটা কালৰ অৱসানৰ পাছত সংঘটিত হোৱা দ্বিতীয় বা পৰৱৰ্তী অপৰাধক এটা প্ৰথম অপৰাধ বুলি গণ্য কৰা হ'ব।

(৩) উপধাৰা (১)ত নিৰ্দ্দেশিত প্ৰত্যেক পদাধিকাৰী বা প্ৰাধিকাৰীয়ে, কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা, নিয়ন্ত্ৰন আৰু পৰ্য্যবেক্ষনৰ সাপেক্ষে, এটা অপৰাধৰ আপোচ কৰিবলৈ ক্ষমতাসমূহ কাৰ্য্যকৰী কৰিব।

(৪) এটা অপৰাধৰ আপোচকৰণৰ বাবে দিয়া প্ৰত্যেক আবেদন, উপধাৰা (১)ত নিৰ্দ্দেশিত পদাধিকাৰী বা পাৰদিকাৰীলৈ বিহিত কৰা দৰে এনে মাচুল সহ এনে প্ৰ-পত্ৰ আৰু ৰীতিত কৰা হ'ব।

(৫) য'ত কোনো অভিযোজনৰ সংস্থিত কৰাৰ পূৰ্বে কোনো অপৰাধৰ আপোচ কৰা হয়, এনেদৰে আপোচ কৰা অপৰাধৰ সম্পৰ্কত, অপৰাধীৰ বিপক্ষে, এনে অভিযোগৰ সম্পৰ্কত, কোনো অভিযোজন সংস্থিত কৰা নহব।

(৬) উপধাৰা (১)ত নিৰ্দ্দেশিত প্ৰত্যেক পদাধিকাৰী বা প্ৰাধিকাৰীয়ে, এই অধিনিয়মৰ কোনো উপবন্ধৰ পালনত কৰা এটা ত্ৰুটীৰ বাবে, এটা অপৰাধৰ আপোচকৰণৰ বাবে এটা প্ৰস্তাৱৰ সংব্যৱহাৰ কৰোতে যিয়ে, 'কেন্দ্ৰীয় চৰকাৰৰ বা,কোনো বিহিত প্ৰাধিকাৰীক কোনো প্ৰবিৱৰণ, হিচাপ বা আন দস্তাৱেজ অনুমতিপ্ৰাপ্ত কৰিবলৈ বা দাখিল কৰিবলৈ বা পঞ্জীয়ন কৰিবলৈ বা প্ৰদান কৰিবলৈ বা প্ৰেৰণ কৰিবলৈ এজন ব্যক্তি বা সন্থা বা ইয়াৰ পদাধিকাৰী বা আন কৰ্মচাৰীৰ দ্বাৰা এপেক্ষা কৰে, তেওঁ আদেশত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে সময়ৰ ভিতৰত, যদি তেওঁ বা ই এনে কৰা উচিত বুলি ভাবে, কোনো ব্যক্তি বা সন্থা বা ইয়াৰ পদাধিকাৰী বা আন কৰ্মচাৰীক, এনে প্ৰবিৱৰণ, হিচাপ বা আন দস্তাৱেজ দাখিল কৰিবলৈ বা পঞ্জীয়ন কৰিবলৈ আদেশৰ দ্বাৰা নিৰ্দ্দেশ দিব পাৰে।

## অধ্যায়—৯

## বিবিধ

*তথ্য বা দস্তাৱেজ বিচৰাৰ ক্ষমতা।*

৪২। ধাৰা ২৩ ত নির্দ্দেশিত কোনো পৰিদর্শনকাৰী পদাধিকাৰীয়ে, যিজনক এই মৰ্ম্মে কেন্দ্রীয় চৰকাৰৰ দ্বাৰা প্ৰাধিকৃত কৰা হয়, এই অধিনিয়মৰ কোনো উপৱন্ধৰ উলংঘনৰ সম্বন্ধত কোনো ৰাজনৈতিক দল, ব্যক্তি, সংগঠন বা সন্থাৰ দ্বাৰা সংৰক্ষিত কোনো হিচাপ বা অভিলেখৰ কোনো পৰিদর্শনৰ সময়ত,—

(ক) এই অধিনিয়মৰ উপবন্ধাৱলী বা ইয়াৰ অধীনত প্ৰণীত বা নিয়ম বা আদেশৰ কোনো উলংঘন হৈ আছে নে নাই সেই বিষয়ে তেওঁ নিজে সন্তুষ্টি লাভ কৰাৰ প্ৰয়োজনাৰ্থে কোনো ব্যক্তিৰ পৰা তথ্য বিচাৰিব পাৰে ;

(খ) এনে পৰিদর্শনলৈ উপযোগী বা সুসংগত কোনো দস্তাৱেজ বা সামগ্ৰী উপস্থাপন বা প্ৰদান কৰিবলৈ কোনো ব্যক্তিক অপেক্ষিত কৰিব পাৰে ;

(গ) পৰিদর্শন সম্পৰ্কিত গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ সৈতে পৰিচিত কোনো ব্যক্তিক পৰীক্ষা কৰিব পাৰে।

*এই অধিনিয়মৰ অধীনত গোচৰসমূহৰ অনুসন্ধান।*
*১৯৭৪ৰ ২*

৪৩। দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ কোনো কথা থকা সত্বেও, এই অধিনিয়মৰ অধীনত দণ্ডনীয় কোনো অপৰাধো, এনে প্ৰাধিকাৰীৰ দ্বাৰা অনুসন্ধান কৰিব পৰা যায় যেনেদৰে কেন্দ্ৰীয় চৰকাৰে এই মৰ্ম্মে বিনির্দ্দিষ্ট কৰে আৰু এনেদৰে বিনির্দ্দিষ্ট কৰা প্ৰাধিকাৰীৰে এখন আৰক্ষী থানাৰ এজন ভাৰপ্ৰাপ্ত পদাধিকাৰীৰ এটা সংজ্ঞেয় অপৰাধৰ এটা অনুসন্ধান কৰোতে যি ক্ষমতা থাকে সেই সকলো ক্ষমতা থাকিব।

*বিহিত প্ৰাধিকাৰীৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰলৈ দিয়া প্ৰবিৱৰণ।*

৪৪। বিহিত প্ৰাধিকাৰীয়ে, বিহিত কৰা দৰে এনে সময়ত আৰু এনে প্ৰ-পত্ৰত আৰু ৰীতিত এনে প্ৰবিৱৰণ আৰু বিবৃতি কেন্দ্ৰীয় চৰকাৰলৈ যোগান ধৰিব।

*সদ্ বিশ্বাসত লোৱা কাৰ্য্যব্যৱস্থাৰ সুৰক্ষা।*

৪৫। এই অধিনিয়মৰ উপবন্ধাৱলী বা তাৰ অধীনত প্ৰণীত কোনো নিয়ম বা আদেশৰ অনুসৰণত সদ্ বিশ্বাসত কৰা বা কৰিবলৈ অভিপ্ৰেত কোনোটোৰ দ্বাৰা কাৰিত বা কাৰিত হবলৈ সম্ভৱনা থকা কোনো লোকচান বা হানিৰ সম্বন্ধত কেন্দ্ৰীয় চৰকাৰ বা ধাৰা ৪৪ত নির্দ্দেশিত প্ৰাধিকাৰী বা ইয়াৰ কোনো পদাধিকাৰীৰ বিৰুদ্ধে কোনো বাদ বা আন বিধিক কাৰ্য্যবাহী নচলিব।

*কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশনা দিয়াৰ ক্ষমতা।*

৪৬। কেন্দ্ৰীয় চৰকাৰে, এই অধিনিয়মৰ উপবন্ধাৱলীৰ নিষ্পাদনৰ সম্বন্ধত কোনো আন প্ৰাদিকাৰী বা কোনো ব্যক্তি বা ব্যক্তিসকলৰ শ্ৰেণীক এনে নিৰ্দ্দেশনা দিব পাৰে যেনেদৰে ই আৱশ্যকীয় গণ্য কৰে।

*ক্ষমতাৰ আৰোপন*

৪৭। কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা নিৰ্দ্দেশ দিব পাৰে যে ধাৰা ৪৮ অধীনত নিয়ম প্ৰণয়নৰ ক্ষমতাৰ ব্যতিৰেকে, এই অধিনিয়মৰ অধীনত ইয়াৰ ক্ষমতা বা কৃত্যৰ যি কোনোটো, অধিসূচনাত বিনির্দ্দিষ্ট কৰিব পৰা এনে বিষয়ৰ সম্পৰ্কত আৰু এনে চৰ্তাৱলীৰ সাপেক্ষে, যদি কিবা থাকে, বিনির্দ্দিষ্ট কৰাৰ দৰে এনে প্ৰাধিকাৰীৰ দ্বাৰা কাৰ্য্যকৰী বা নিৰ্বাহনো কৰা হ'ব।

*নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা।*

৪৮। (১) কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ উপবন্ধাৱলী কাৰ্য্যকৰী কৰিবৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্বৱৰ্তী ক্ষমতাৰ ব্যপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, যেনে ঃ—

(ক) ধাৰা ২ৰ উপধাৰা (১)ৰ খণ্ড (জ)ৰ উপবন্ধ (i) ৰ অধীনত বিনিৰ্দ্দিষ্ট কৰিব পৰা সামগ্ৰীৰ মূল্য ;

(খ) ধাৰা ২ৰ উপধাৰা (১)ৰ খণ্ড (ত)ৰ অধীনত বিনিৰ্দ্দিষ্ট কৰিব পৰা প্ৰাধিকাৰী ;

(গ) ধাৰা ৪ৰ খণ্ড (ঘ)ৰ অধীনত দান বা উপহাৰ গ্ৰহণ বা প্ৰতিধাৰণ ;

(ঘ) কাৰণ বা কাৰণসমূহক বিনিৰ্দ্দিষ্ট কৰা নীতি, যাৰ ওপৰত এটা সংগঠনক, ধাৰা ৫ৰ উপধাৰা (১)ৰ অধীনত এটা ৰাজনৈতিক চৰিত্ৰৰ সংগঠনৰূপে বিনিৰ্দ্দিষ্ট কৰিব পৰা যায় ;

(ঙ) ধাৰা ৮ৰ উপধাৰা (১)ৰ খণ্ড (ক)ৰ পৰন্তুকৰ অধীনত কাৰ্য্য ব্যৱস্থা বা ব্যৱসায়, যাক এটা লাভকল্পী ব্যৱসায়ৰূপে অৰ্থ কৰা হ'ব।

(চ) ধাৰা ৮ৰ উপধাৰা (২)ৰ অধীনত প্ৰশাসনিক ব্যয় গণনা কৰা উপাদান আৰু ৰীতি ;

(ছ) কি সময়ৰ ভিতৰত আৰু কি ৰীতিত কোনো ব্যক্তি বা ব্যক্তিসকলৰ শ্ৰেণী বা এটা সংগঠনক ধাৰা ৯ৰ খণ্ড (গ)ৰ অধীনত গ্ৰহণ কৰা বিদেশী বৰঙণিৰ ধন ৰাশিৰ সম্বন্ধত সূচনা দিবলৈ অপেক্ষিত কৰিব পাৰে ;

(জ) কি সময়ৰ ভিতৰত আৰু কি ৰীতিত কোনো ব্যক্তি বা ব্যক্তিসকলৰ শ্ৰেণীক বা এটা সন্থাক ধাৰা ৯ৰ খণ্ড (ঙ)ৰ অধীনত বিদেশী আতিথ্য সম্বন্ধত সূচনা দিবলৈ অ পেক্ষিত কৰা হয় ; )

(ঝ) কেন্দ্ৰীয় চৰকাৰৰ আদেশৰ প্ৰতিলিপি ধাৰা ১০ৰ অধীনত কোনো ব্যক্তিৰ ওপৰত জাৰী কৰাৰ ৰীতি ;

(ঞ) ধাৰা ১২ৰ উপধাৰা (১)ৰ অধীনত পঞ্জীয়নৰ প্ৰমাণপত্ৰ মঞ্জুৰীৰ বাবে পূৰ্ব অনুমতি দিয়াৰ বাবে কৰা আবেদনৰ প্ৰ-পত্ৰ আৰু ৰীতি ;

(ট) ধাৰা ১২ৰ উপধাৰা (১)ৰ অধীনত আবেদনৰ দ্বাৰা মাচুলসহ দিয়া হ'ব ;

(ঠ) ধাৰা ১২ৰ উপধাৰা (৪)ৰ খণ্ড (ছ)ৰ অধীনত এখন প্ৰমাণ পত্ৰৰ মঞ্জুৰী বা পূৰ্ব অনুমতি দিয়াৰ বাবে নিৰ্বন্ধন আৰু চৰ্তাৱলী ;

(ড) ধাৰা ১৩ৰ উপধাৰা (২)ৰ খণ্ড (খ) ৰ অধীনত বিদেশী বৰঙণি ব্যৱহাৰৰ ৰীতি;

(ঢ) ধাৰা ১৫ৰ উপধাৰা (১)ৰ অধীনত বিদেশী বৰঙণি ন্যস্ত কৰিবলগীয়া প্ৰাধিকাৰী ;

(ণ) ধাৰা ১৫ৰ উপধাৰা (২)ৰ অধীনত বিদেশী বৰঙণি পৰিচালিত কৰাৰ কাল আৰু ৰীতি ;

(ত) ধাৰা ১৬ৰ উপধাৰা (২)ৰ অধীনত পঞ্জীয়নৰ প্ৰমাণ পত্ৰৰ নবীকৰণৰ বাবে দিয়া এখন আবেদনৰ ৰীতি আৰু প্ৰ-পত্ৰ ;

(থ) ধাৰা ১৬ৰ উপধাৰা (২)ৰ আধীনত প্ৰমাণ পত্ৰৰ নবীকৰণৰ বাবে আবেদনৰ দ্বাৰা মাচুলসমূহ দিয়া হ'ব ;

(দ) ধাৰা ১৭ৰ উপধাৰা (২)ৰ আধীনত বিদেশী টকা প্ৰেৰণৰ বিহিত ধন ৰাশি, বিদেশী মূদ্ৰা বিনিয়ময়ত-প্ৰত্যেক বেংকৰ বা প্ৰাধিকৃত ব্যক্তিৰ দ্বাৰা প্ৰাপ্ত কৰা আন্তৰাষ্ট্ৰীয় প্ৰেৰণৰ, প্ৰতিবেদন দিয়া হ'ব ;

(ধ) কি সময়ৰ ভিতৰত আৰু কি ৰীতিত এই অধিনিয়মৰ অধীনত পঞ্জীয়নৰ প্ৰমাণ পত্ৰ মঞ্জুৰ বা কৰা পূৰ্ব অনুমতি দিয়া ব্যক্তিজনে, ধাৰা ১৮ৰ অধীনত সূচনা দিব ;

(ন) কোনো বিদেশী বৰঙণিৰ হিচাবৰ প্ৰ-পত্ৰ আৰু ৰীতি আৰু এনে বৰঙণি ব্যৱহৃত হোৱা ৰীতিক, ধাৰা ১৯ৰ অধীনত সংৰক্ষিত কৰা হ'ব ;

(প) ধাৰা ২১ৰ অধীনত নিৰ্বচনৰ বাবে এজন প্ৰাৰ্থীক সূচনা দিয়াৰ সময় আৰু ৰীতি ;

(ফ) ধাৰা ২২ৰ অধীনত পৰিসম্পত্তিৰ বিক্ৰয়ত অনুসৰণ কৰিবলগীয়া ৰীতি আৰু প্ৰক্ৰিয়া ;

(ব) ধাৰা ২৯ৰ উপধাৰা (১)ৰ খণ্ড (খ)ৰ অধীনত পৰিসীমা, যাৰ সাপেক্ষে কোনো বাজেয়াপ্তকৰণক ন্যায়নিৰ্ণীত কৰিব পৰা যায় ;

(ভ) ধাৰা ৬২ৰ উপধাৰা (৫)ৰ অধীনত পুনৰীক্ষণৰ বাবে প্ৰত্যেক আবেদনৰ সৈতে একেলগে মাচুল দিয়া হ'ব ;

(ম) ধাৰা ৪১ৰ উপধাৰা (৪)ৰ অধীনত এটা অপৰাধৰ আপোচৰ বাবে এখন আবেদন কৰাৰ প্ৰ-পত্ৰ আৰু ৰীতি আৰু তাৰ বাবে আৱশ্যকীয় মাচুল ;

(য) ধাৰা ৪৪ৰ অধীনত বিহিত প্ৰাধিকাৰীৰ দ্বাৰা প্ৰবিৱৰণ আৰু বিবৃতি দিয়াৰ প্ৰ-পত্ৰ, আৰু ৰীতি আৰু সময় ;

(যক) আন কোনো বিষয় যিটো বিহিত কৰিবলৈ অপেক্ষিত হয় বা বিহিত কৰা হয়।

*আদেশ আৰু নিয়ম সংসদত উত্থাপন কৰা হ'ব।*

৪৯। এই অধিনিয়মৰ অধীনত ধাৰা ৫ৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশ আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম ইয়াক প্ৰণয়ন কৰাৰ পাচত যথাশীঘ্ৰে অধিবেশন চলি থকা এখন অধিবেশন, দুখন বা ততোধিক ক্ৰমাগত অধিবেশনেৰে গঠিত হ'ব পৰা মুঠ ত্ৰিশ দিনৰ কালৰ বাবে সংসদৰ প্ৰত্যেক সদনত উত্থাপন কৰা হ'ব আৰু যদিহে উপৰোক্ত অধিবেশনৰ অব্যৱহৃত পৰৱৰ্তী অধিবেশন বা ক্ৰমাগত অধিবেশনসমূহৰ অবসানৰ পূৰ্বে উভয় সদনে আদেশ বা নিয়মত কোনো সাল-সলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে আদেশ বা নিয়ম প্ৰণয়ন কৰিব নালাগে, তেন্তে তাৰ পিছত, আদেশ বা নিয়মটো কেৱল এনে সাল-সলনি ৰূপত প্ৰভাৱী হ'ব বা যথাস্থিতি প্ৰভাৱী নহ'ব সেয়ে হলেও এনে সাল-সলনি বা ৰদ্ কৰণ সেই আদেশ বা নিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হ'ব।

**বিদেশী বৰঙণি (বিনিয়মন) অধিনিয়ম, ২০১০**

কেতবোৰ ক্ষেত্ৰত ৰেহাই দিয়াৰ ক্ষমতা।

৫০। যদিহে, কেন্দ্ৰীয় চৰকাৰৰ এইটো মত হয় যে ৰাজহুৱা স্বাৰ্থত এনেদৰে কৰাটো আৱশ্যকীয় বা সমীচীন, ই আদেশৰ দ্বাৰা আৰু আদেশত বিনিৰ্দ্দিষ্ট কৰা এনে চৰ্তাৱলী সাপেক্ষে এই অধিনিয়মৰ উপবন্ধাৱলীৰ সকলো বা কোনো এটাৰ প্ৰৱৰ্তনৰ পৰা (এটা ৰাজনৈতিক দল নোহোৱা) কোনো ব্যক্তি, সস্থা বা সংগঠনক (নিৰ্বাচনৰ এজন প্ৰাৰ্থী নোহোৱা) কোনো ব্যক্তিক ৰেহাই দিব পাৰে আৰু আৱশ্যক অনুযায়ী যিমান পাৰে এনে আদেশ বাতিল বা পৰিবৰ্তন কৰিব পাৰে।

*কেতবোৰ চৰকাৰী লেনদেনত অধিনিয়ম প্ৰযোজ্য নহ'ব।*

৫১। এই অধিনিয়মত থকা কোনো কথাই, ভাৰত চৰকাৰ আৰু যিকোনো বিদেশী চৰকাৰ বা ৰাজ্য ক্ষেত্ৰৰ মাজত কোনো লেনদেনলৈ প্ৰযোজ্য নহ'ব।

*আন বিধিৰ প্ৰয়োগ বাৰিত নহ'ব।*

৫২। এই অধিনিয়মৰ উপবন্ধাৱলী সম্প্ৰতি বলবৎ থকা কোনো আন বিধিৰ উপবন্ধসমূহৰ অতিৰিক্ত হ'ব আৰু অল্পীকৰণ নকৰাকৈ হ'ব।

*জটিলতা দূৰীকৰণৰ ক্ষমতা।*

৫৩। (১) যদিহে, এই অধিনিয়মৰ উপবন্ধাৱলীক প্ৰভাৱী কৰোতে কোনো জটিলতাৰ উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধাৱলীৰ সৈতে অসঙ্গত নোহোৱা এনে উপবন্ধাৱলী প্ৰণয়ন কৰিব পাৰে যিদৰে জটিলতা দূৰীকৰণৰ বাবে আৱশ্যকীয় বুলি প্ৰতীত হয়।

পৰন্তু এই অধিনিয়মৰ প্ৰাৰম্ভনৰ পৰা দুবছৰৰ অৱসানৰ পাছত এই ধাৰাৰ অধীনত কোনো আদেশ কৰা নহ'ব।

(২) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশ, ইয়াক প্ৰণয়ন কৰাৰ পাছত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হ'ব।

*নিৰসন আৰু ব্যবৃতি ১৯৭৬ ৰ ৪৯*

৫৪। (১) বিদেশী বৰঙণি (বিনিয়মন) অধিনিয়ম, ১৯৭৬ (ইয়াত ইয়াৰ পাছত নিৰসিত অধিনিয়ম ৰূপে নিৰ্দ্দেশিত) ইয়াৰ দ্বাৰা নিৰসিত কৰা হৈছে।

(২) এনে নিৰক্ষন সত্বেও,—

(ক) নিৰসিত অধিনিয়মৰ অধীনত কৰা কোনো কাৰ্য্য বা লোৱা কোনো কাৰ্য্য ব্যৱস্থা বা কৰিবলৈ বা লবলৈ তাৎপৰ্যিত কথা, য'তদূৰ, এই অধিনিয়মৰ উপবন্ধাৱলীৰ অসঙ্গত নহয়, এই অধিনিয়মৰ তদনুৰূপ উপবন্ধাৱলীৰ অধীনত কৰা বা লোৱা বুলি গণ্য কৰা হ'ব ;

(খ) এটা ৰাজনৈতিক দল নোহোৱা এটা ৰাজনৈতিক চৰিত্ৰৰ কোনো সংগঠন, যাক নিৰসিত অধিনিয়মৰ ধাৰা ৫ৰ অধীনত পূৰ্বে অনুমতি মঞ্জুৰ কৰা হৈছিল, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা এনে অনুমতি প্ৰত্যাহাৰ নকৰালৈকে, এই অধিনিয়মৰ ধাৰা ৩ৰ উপধাৰা (১)ৰ খণ্ড (চ)ৰ অধীনত এটা ৰাজলৈতিক দল নোহোৱা এটা ৰাজনৈতিক চৰিত্ৰৰ সংগঠনৰূপে চলি থাকিব ;

(গ) নিৰসিত অধিনিয়মৰ ধাৰা ৯ৰ অধীনত মঞ্জুৰ কৰা বিদেশী আতিথ্য গ্ৰহণ কৰাৰ অনুমতিক, এই অধিনিয়মৰ ধাৰা ৬ৰ অধীনত মঞ্জুৰ কৰা অনুমতিৰূপে গণ্য কৰা হ'ব যেতিয়ালৈকে এনে অনুমতি, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰত্যাহাৰ কৰা নহয় ;

(ঘ) নিৰসিত অধিনিয়মৰ ধাৰা ১০ৰ খণ্ড (ক)ৰ অধীনত কোনো বিদেশী বৰঙণি গ্ৰহণ কৰাৰ পৰা প্ৰতিষেধ কৰা কোনো সংগঠনক, য'তদূৰ ই এই অধিনিয়মৰ উপবন্ধাৱলীৰ সৈতে অসঙ্গত নহয়, এই অধিনিয়মৰ ধাৰা ৯ৰ অধীনত কোনো বিদেশী বৰঙণি গ্ৰহণ কৰাৰ পৰা প্ৰতিষেধ কৰা এটা সংগঠন বুলি গণ্য কৰা হ'ব ;

(ঙ) নিৰসিত অধিনিয়মৰ ধাৰা ১০ৰ খণ্ড (খ)ৰ অধীনত প্ৰাপ্ত কৰা অনুমতিক, য'তদূৰ এই অধিনিয়মৰ উপবন্ধাৱলীৰ সৈতে অসঙ্গত নহয়, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা এনে অনুমতি প্ৰত্যাহাৰ নকৰা পৰ্য্যন্ত, অনুমতি ৰূপে গণ্য কৰা হ'ব ;

(চ) নিৰসিত অধিনিয়মৰ ধাৰা ১২ৰ অধীনত জাৰী কৰা কোনো আদেশক, এই অধিনিয়মৰ ধাৰা ১০ৰ অধীনত জাৰী কৰা এটা আদেশ ৰূপে গণ্য কৰা হ'ব ;

(ছ) কোনো সংগঠন বা কোনো ব্যক্তিক ৰেহাই দি নিৰসিত অধিনিয়মৰ ধাৰা ৩১ৰ অধীনত জাৰী কৰা কোনো আদেশক এই অধিনিয়মৰ ধাৰা ৫০ৰ অধীনত এটা আদেশৰূপে গণ্য কৰা হ'ব যেতিয়ালৈকে এনে আদেশ পৰিৱৰ্তিত বা বাতিল কৰা নহয়।

১৮৯৭ৰ ১০ (৩) উপধাৰা (২)ত উপবন্ধিত ব্যতিৰেকে, সেই উপধাৰাত থকা বিশেষ বিষয়বস্তুসমূহৰ উল্লেখক, নিৰসনৰ প্ৰভাৱক লক্ষ্য ৰাখি, সাধাৰণ খণ্ড অধিনিয়ম, ১৮৯৭ৰ ধাৰা ৬ৰ সাধাৰণ প্ৰয়োগক প্ৰতিকূল প্ৰভাৱ পেলোৱা বা প্ৰভাৱিত কৰা বুলি ধৰি লোৱা নহ'ব।

# The Foreign Contribution (Regulation) Act, 2010
## (No. 42 of 2010)

# বিদেশী বৰঙণি (বিনিয়মন) অধিনিয়ম, ২০১০
## (২০১০ ৰ সংখ্যা ৪২)

### GLOSSARY OF TERMS
### পৰিভাষা

| Section | English term | Assamese Equivalnt |
|---|---|---|
| Long title | Foreign hospitality | বিদেশী আতিথ্য। |
| 2 (i) (b) | Foreign exchange | বিদেশী মুদ্ৰা বিনিময়। |
| 3 (b) | Columnist | স্তম্ভলেখক। |
| 4 (f) | Remittance | টকা প্ৰেৰণ। |
| 4 (f) | Official Channel | চৰকাৰী সংযোগ মাধ্যম। |
| 8 (a) Pro | Speculative business | লাভবন্ধি ব্যৱসায়। |
| 9 (o) (iii) | Fairness of election | নিৰ্বাচনৰ ঔচিত্য। |
| 12 (4) (v) | Sedition | ৰাজদ্ৰোহ। |
| 14 (o) | Defunct | নিষ্ক্ৰিয়। |
| 17 (2) (a) | Foreign remittance | অৰ্ন্তৰাজ্যিয় প্ৰেৰণ। |
| 26 (1) | Vulnerability | ভেদ্যতা। |
| 41 (5) | Compounded | আপোচ কৰা। |
| 26 (3) | Inventory | তালিকা। |

— 000 —

ৰাষ্ট্রপতিয়ে বিদেশী বৰঙণি (বিনিয়মন) অধিনিয়ম, ২০১০ (২০১০ৰ অধিনিয়ম সংখ্যা ৪২) ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০)।

নতুন দিল্লী
তাৰিখঃ

সচিব, ভাৰত চৰকাৰ

The above translation in Assamese of The Foreign Contribution (Regulation) Act, 2010. (Act No. 42 of 2010) has been authorised by the President to be published in the Official Gazette under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 (Act No. 50 of 1973).

New Delhi
Date :

**G. NARAYANA RAJU,**
Secretary to the Govt. of India

*ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ০৫-১১-১৯*